Shri Hiteswar Saikia ( Minister of State, Home )replied :

96. (a)—Government have taken necessary steps including repairs and electrification of the existing building of the Hajo Police thana.

(b)—All staff have been provided with residential accommodation.

(c)—No.

(d)—Yes.

Smti. Renuka Devi Barkataki—Whether Government consider repairing as improving the condition of the thana ?

Shri Hiteswar Saikia (Minister of State, Home)—Surely.

Smti. Renuka Devi Barkataki—Sir, the Minister has stated that residential accommodation has been provided to the staff. But I want to ask whether the Minister is aware of the fact that many Sipahis sleep on the veranda of the thana ?

Shri Hiteswar Saikia (Minister of State) - They have been provided with residential accommodation.

Smti. Renuka Devi Barkataki—The Minister has stated that drinking water facilities have been provided. But does he know that the Sipahis are to go to the beel to get water ?

Shri Hiteswar Saikia (Minister of State)—There is a pucca well.

Smti. Renuka Devi Barkataki—Whether Government is

aware of the fact that there is no watei in the pucca well?

Shri Hiteswar Saikia (Minister of State)—I have no information.

Smti. Renuka Devi Barkataki—Sir, when there is a Rural Water Supply Scheme there at Hajo, why the thana has not been provided with water from that scheme itself?

Shri Hiteswar Saikia (Minister of State)—That will be considered.

Mr. Speaker—There are no more questions?

Shri Dulal Chandra Barua—Sir, may we know about the position of the questions?

Mr. Speaker—I shall make a statement on that on Monday next.

শ্ৰীজালালুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, যোৱা তিনি মাহৰ আগতে ২৫ টা প্ৰশ্ন দিয়া হৈছিল। কিন্তু এতিয়ালৈকে মাত্ৰ এটা প্ৰশ্নৰেহে উত্তৰ দিয়া হৈছে। বাকী প্ৰশ্নৰ কোনো খবৰ নাই।

অধ্যক্ষ—সোমবাৰে এটা ষ্টেট্‌মেণ্ট দিয়া হব।

## Calling Attention

Smti. Renuka Devi Barkataki—Mr. Speaker, Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I want to call the attention of the Chief Minister to the newsitem appearing in the Dainik Asom Dated 6th January, 1974, under the caption "Samukia Gathi Kholar Babe Natun Udyam".

Shri Sarat Chandra Sinha (Chief Minister)—The attention of the Govt. is drawn to the newsitem published under the caption "শামুকীয়া গাঁথি খোলাৰ বাবে নতুন উদ্যম" in the Dainik Assam in its issue on 6th Jan. 1974.

This Government is committed to the objectives of eradication of poverty, economic salf-reliance and upliftment of the weaker sections of the Soc ety in particular. As the House is aware, the Fifth Plan has been drawn up basically with a view to ful-fil these objectives.

The responsibilities entrusted to us are great and the job is enormous. The people have to be associated at all levels and in this context the sub-divisional level Planning Calls have been initiated. For effective decentralisation of power, Panchayat Raj institutions have been ushered in and these institutions are coming into operation soon. No doubt these institutions shall play their effective part in various fields like agriculture, irrigation, power, health etc. Separate department of Employment, Irrigation have also been created to expedite the work in these two vital fields. Separate Corporations are going to be set up for the Scheduled Castes, Scheduled Tribes and the other Backward Classes.

The progressive measures initated by the Govt. will obviously put strain on the existing administrative machinery. Structural changes in the administration, delegation of powers and functions would be necessary to meet new situations, deal with new problems and to face new challenges. Proposal is under consideration to utilise the services of the Commissioners in coordinating the activities of various development departments and keep liaison with the Panchayat Raj institutions and other service agencies at the field level. They will also help in the removal of bottleneck in the field and shall keep the Government informed of the progress made in the execution of development schemes.

The machinery itself would call for a re-orientation of approach and Psychology both at the Headquarters and in the field.

The Government is conscious of the administrative meeds in such a context and shall endeavour to streamline the administrative machinery where necessary.

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—মই এটা স্পষ্টীকৰণ বিচাৰিছো। বাতৰি কাকতত প্ৰকাশ হোৱা মতে তেখেতৰ সভাপতিত্বত গঠিত কমিটিখনত এজন মুখ্য আয়ুক্ত থাকিব, তিনিজন আয়ুক্ত থাকিব। এই তিনিজন আয়ুক্তৰ ভিতৰত এজন উজনি অসমৰ, এজন চিলচৰৰ আৰু আন এজন ধুবুৰীৰ। এই কথা সঁচা নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এইটো এতিয়াও সিদ্ধান্ত হোৱা নাই।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—মই মুখ্যমন্ত্ৰীৰ পৰা আৰু এটা স্পষ্টীকৰণ বিচাৰিছো। সেইটো হৈছে প্ৰশাসন যন্ত্ৰটোৰ যি ষ্ট্ৰাকচাৰেল চেঞ্জৰ কথা মুখ্যমন্ত্ৰীয়ে কৈছে সেইটো চৰকাৰে নীতি হিচাবে ঘোষণা কৰিবনে নাই, নে এতিয়া যেনেকৈ চলি আছে তেনেকৈ কৈয়ে চলি থাকিব?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, প্ৰশাসন যন্ত্ৰটোৰ পৰিবৰ্ত্তন সাধন কৰিব লাগে এই কথা কোৱা হৈছে। এই কথাটো কেনেকৈ অনা হব সেই কথাটোৰ প্ৰচেচ ষ্টাৰ্ট হৈছে। যেতিয়া পঞ্চায়ত আইন পৰিবৰ্ত্তন কৰা হ'ল তেতিয়া সেই আইনত পঞ্চায়তক অধিকতৰ ক্ষমতা দিছে আৰু এইটো এটা ষ্ট্ৰাকচাৰেল চেঞ্জৰ এটা অংশ। যেতিয়া পৰিকল্পনা কৰিবৰ কাৰণে মহকুমা পৰিষদৰ ডিভিজিয়নেল প্লেনিং কমিচনলৈ অনা হ'ল সেইটোও এটা ষ্ট্ৰাকচাৰেল চেঞ্জৰে অংশ হ'ল। এনে ধৰণেৰে প্ৰশাসন জনসাধাৰণৰ ওচৰলৈ আনিবলৈ য'ত যেনে ধৰণেৰে কৰিব লাগে তেনে ধৰণেৰে কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াত এখন আইনৰ দ্বাৰা, কোনো এটা আঁচনিৰ দ্বাৰা এই গোটেই কথাবোৰ সামৰি লব নোৱাৰি।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো যে, মুখ্যমন্ত্ৰী হিচাবে যেতিয়াই ক্ষমতাত অধিষ্ঠিত হ'ল তেতিয়াই প্ৰশাসন যন্ত্ৰটো পৰিবৰ্ত্তন কৰিম বুলি কৈছিল। এই প্ৰতিশ্ৰুতি ৰাইজৰ ওচৰত আৰু

আমাৰ ওচৰত দিছিল। এতিয়া তেখেতে কৈছে—

গতিকে মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে তেখেতৰ যিটো মনোভাব সেইটো কাৰ্য্যত পৰিণত হোৱা নাই। বৰং শাসন যন্ত্ৰটো ওচৰলৈ অনাৰ কথা কৈছে যদিও এইটো আতৰি গৈছে আৰু ভিতৰে ভিতৰে ঘূণে ধৰিছে। মুখ্যমন্ত্ৰীয়ে এইটো কথা জানেনে? দ্বিতীয় কথা হৈছে প্ৰশাসন কাৰ্য্যকৰী কৰিবৰ কাৰণে এডমিনিচট্ৰেটিভ ৰিফৰ্মচ কমিটিয়ে যি পৰামৰ্শ দিছিল সেই পৰামৰ্শ কাৰ্য্যকৰী কৰিবৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সেই বিলাকেই ব্যৱস্থা যি বিলাক মই কৈ আহিছোঁ। আৰু ঘূণে ধৰিছে যদি তাৰ কাৰণে দৰব দিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—আগতকৈ আমাৰ প্ৰশাসন যন্ত্ৰটো যে বেচি বেয়া হৈ গৈছে এই কথা মুখ্যমন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এইটো এটা মতামতৰ প্ৰশ্ন। মাননীয় সদস্য গৰাকীয়ে ভাবিছে যে প্ৰশাসন ব্যৱস্থা বেয়া হৈ গৈছে আৰু আমি ভাবিছো যে প্ৰশাসন ব্যৱস্থা ভাল হৈছে।

## Matter under Rule 301.

Mr. Speaker—Next iteme.

শ্ৰীৰামচন্দ্ৰ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৬৭ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "শিলঙৰ ফাইল তেজপুৰৰ চাউল দাইলৰ দোকানত" শীৰ্ষক বাতৰিটোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—সন্মানিত সদস্য শ্ৰীৰামচন্দ্ৰ শৰ্মাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৪ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "শ্বিলঙৰ ফাইল তেজপুৰৰ চাউল-দাইলৰ দোকানত" উত্থাপিত বাতৰিটোৰ বিষয়ে কব খোজো যে—

তেজপুৰৰ ৰাবাৰ বাগানৰ শ্ৰীবাদল চন্দ্ৰ দাস নামৰ জনৈক ব্যক্তিয়ে গুৱাহাটীৰ এজন Hawker অৰ পৰা ৪০ কেজি পুৰণা কাগজ কিনি নিয়ে।

*Speech not corrected

শ্ৰীবাদল চন্দ্ৰ দাসে তেওঁৰ ভায়েক শ্ৰীজ্যোতি দাসৰ বাবে প্ৰতি কেজি কাগজত ১.৫৫ পইচাকৈ দি তেজপুৰলৈ নিয়ে। শ্ৰীবাদল চন্দ্ৰ দাস এজন মালবাহী মটৰ গাড়ীৰ ড্ৰাইভাৰ আৰু তেওঁৰ ভায়েক শ্ৰীজ্যোতি দাসে "থোঙা" বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰে। শ্ৰীজ্যোতি দাসৰ পৰিবাৰে তেজপুৰ বজাৰৰ শ্ৰীগোবিন্দ মণ্ডল নামৰ এজন দোকানীৰ ওচৰত কেইকিলোমান থোঙা বিক্ৰী কৰে। স্থানীয় ই এণ্ড ডি বিভাগৰ শ্ৰীদ্বিজেন বৰা নামৰ এজন কৰ্মচাৰীয়ে শ্ৰীগোবিন্দ মলণ্ডৰ দোকানত কিছু সামগ্ৰী কিনিবলৈ যায়। শ্ৰীবৰাই লক্ষ্য কৰে যে সামগ্ৰী দিয়া থোঙাবিলাক কিছুমান চৰকাৰী কাগজেৰে তৈয়াৰ কৰা হৈছে আৰু এই কাগজবোৰ চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ। শ্ৰীবৰাই এই থোঙাবোৰ দেখি এই কাগজবোৰ কেনেকৈ পালে বুলি দোকনীজনৰ পৰা জানিব বিচাৰে। ইয়াৰ পিছত শ্ৰীবৰাই দোকানী জনৰ পৰা এনেকুৱা কিছু বন্ধা কাগজ লৈ যায় আৰু তেজপুৰৰ এজন বাতৰি যোগনিয়াৰৰ হাতত দিয়ে। এই বাতৰি যোগনিয়াৰজনে ১৯৭৪ চনৰ তুই ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত এটা বাতৰি প্ৰকাশ কৰে। ইয়াৰ পিছত এই বাতৰি যোগনিয়াৰ জনৰপৰা পোৱা সূত্ৰমতে পুলিচে দোকানীজনৰ পৰা সকলোবোৰ কাকত লৈ যায়।

দৈনিক অসম কাকতত বাতৰিটো প্ৰকাশ হোৱাৰ লগে লগেই এই বিষয়ে অনুসন্ধান চলোৱা হয়। ইতিমধ্যে এনেকুৱা কিছুমান কাগজ উদ্ধাৰ কৰা হয়। সাংবাদিকজনে বাতৰি পঠোৱাৰ লগতে তেওঁ পোৱা কাগজৰ বণ্ডোলটো দৈনিক অসমৰ সম্পাদকলৈ পঠায়। সম্পাদকজন বৰ্ত্তমানে অসমত নথকাৰ বাবে এই কাগজখিনি এতিয়াও পোৱা নাই। অৱশ্যে সাংবাদিকজনে মোক কোৱামতে বিশেষ জৰুৰী কাগজ নাছিল।

এই ক্ষেত্ৰত এইটো উল্লেখ কৰা উচিত হব যে বৰ্ত্তমানে প্ৰচলিত নিয়ম অনুসৰি চৰকাৰৰ বিভিন্ন বিভাগবোৰে পুৰণা বাতৰি কাকত আৰু আন আন কাকতসমূহ নিলাম কৰি বিক্ৰী কৰিব পাৰে। নীলামৰ বাবে প্ৰয়োজনীয় সকলো নীয়ম নীতি মানিহে এনেকুৱা নীলাম কৰিব পৰা হয় আৰু নীলামৰ জৰিয়তে পোৱা টকা ট্ৰেজাৰীত জমা দিব লাগে। তথ্য আৰু জনসংযোগ বিভাগৰ পুৰণা বাতৰি কাকত আৰু আন আন অলাগতিয়াল কাকত বিক্ৰী কৰিবৰ বাবে ১৯৭৩ চনৰ ১ ডিচেম্বৰ তাৰিখে নীলাম কৰা হয়। এই নীলাম কৰা কাগজ সমূহৰ লগত কোনো দৰকাৰী চৰকাৰী কাকত-পত্ৰ বা

ফাইল আদি গৈছে নেকি সেইটো ঠাৱৰ কৰিবলৈ পূৰ্ণ পৰ্য্যায়ৰ তদন্তৰ কাম আৰম্ভ কৰি দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা—এই ফাইলটোৰ সম্পৰ্কত বিচাৰ হোৱা সময়চোৱাত আৰু এনেকুৱা কিছুমান 'ফাইল' বস্তা হিচাবত কোনো কোনো দোকানত পাইছে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীফখৰুদ্দিন চাহাবৰ চহী থকা কিছুমান কাগজ তেজ-পুৰত ওলাইছে বুলি বাতৰি পাইছো। এইটো কেনে ধৰণৰ কথা ?

শ্ৰীহিতেশ্বৰ শইকীয়া—তেজপুৰত যিখিনি কাগজ পোৱা হৈছে সেইখিনি লৈ অনা হৈছে।

শ্ৰীদুলাল বৰুৱা—মন্ত্ৰী মহোদয়ে এই কথাটো জানে নেকি অসম চৰকাৰৰ বহু বিভাগৰ কনফিডেন্সিয়েল কাগজ-পত্ৰ পৰ্য্যন্ত, মিনিষ্টাৰৰ নোট থকা কাগজ পৰ্য্যন্ত বজাৰত পোৱা হৈছে। এই সম্পৰ্কত বিধান সভাত এজন অফিচাৰৰ চাৰ্ভিচ বুক, চাৰ্ভিচ ৰোল, আৰু ৰেজিষ্টাৰ ৰোল বজাৰত পোৱা কথাটো উত্থাপন কৰাৰ পিচত চৰকাৰে এইবিলাক সম্পৰ্কত ব্যৱস্থা লৈছে নেকি ? যদি লৈছে কি ব্যৱস্থা লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—এই বাতৰিটো প্ৰকাশ হোৱাৰ পিচত সকলো ঠাইতে এনে ধৰণৰ কাগজ-পত্ৰৰ বিষয়ত বিশেষ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

শ্ৰীদুলাল বৰুৱা—মই মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক গৃহমন্ত্ৰীক এই কথাটো জনাব বিচাৰিছো যে বাননিয়ন্ত্ৰণ অফিচটো সকলোতকৈ আগতে ইয়ালৈ আহিছে আৰু যথেষ্ট পৰিমাণৰ ফাইল কঢ়িয়াই অনা হৈছে। সেই ফাইল-বিলাক ইয়াত মেলা নহ'ল। কোনো কোনোৱে এই ৰেকৰ্ডবিলাক নি বিক্ৰী কৰিছে—এই কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই কথাটো নাজানো।

শ্ৰীদুলাল বৰুৱা—এই বিষয়ে অনুসন্ধান কৰি চাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অনুসন্ধান কৰি চাম।

শ্ৰীসোনেশ্বৰ বৰা—মন্ত্ৰী মহোদয়ে বিবৃতিত ক'লে যে পুৰণা ফাইল বিলাক নীলাম কৰা হব। মই ভাবো এই বিলাক নীলাম কৰাটো উচিত নহয়, যিহেতু এশ বছৰৰ পুৰণা হলেও তাত কিছুমান দায়িত্বপূৰ্ণ কথা থাকে। সেই কথা বিলাক মুকলি ভাবে প্ৰকাশ কৰাটো উচিত নহব। অকল পুৰণা কাগজ বিলাক বিক্ৰী কৰি টকা কেইটা ট্ৰেজাৰীত জমা দিলেই নহব। আমাৰ

দায়িত্বপূর্ণ কথা বিলাক বাহিৰত প্ৰকাশ কৰিব নালাগে। এই বিষয়ে চৰকাৰে ব্যৱস্থা কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—এই সংক্ৰান্তত চৰকাৰৰ নীতি বদলাব লাগিব।

**Govt. Bill**

Shri S. Ahmad Ali, ( Minister, Law ) – Sir, I beg leave of the House to introduce the Assam Panchayati Raj (Second Amendment ) Bill, 1974.

Mr. Speaker—Has the Hon'ble Minister leave of the House to introduce the Bill ? ( Voices : Yes, yes ) Leave is granted. Now, there is a message from the Governor :

"Raj Bhavan, Shillong, the 12th February, 1974 – I recommend under Article 207 (1) of the Constitution of India that the Assam Panchayati Raj ( Second Amendment) Bill, 1974 be introduced and moved in the Assam Legislative Assembly – Sd: L. P. Singh, Governor."

Shri S. Ahmad Ali—Sir, I beg to introduce the Assam Panchayati Raj ( Second Amendment ) Bill, 1974.

(The Secretary read out the title of the Bill introduced)

Mr. Speaker—The Bill is introduced.

Shri Dulal Chandra Barua—Sir, I want to have a clarification. I am rather confused. Very recently the Panchayati Raj Bill has been passed and that has not been enforced till to-day. So my point is whether at this stage another amendment can come. I want that clarification. If that can be done under what rule ? Will the Minister please quote the rule ?

Shri S. Ahmad Ali—There is no bar. Original Act has already been enforced and the date of election has been fixed. So there is no bar if second or third ame-

ndment is brought.

Shrimati Renuka Devi Barkataki—Sir, this Bill was referred to the Select Committee and while discussing the Bill we wanted this amendment. Now without sending it to the Select Committee how the Government can come with this particular amendment ?

Shri S. Ahmad Ali—Sir, I have introduced the Bill. In the Second reading it may be referred to the Select Committee, if the so House desire and decide.

Shrimati Renuka Devi Barkataki—Without enforcing the Act how this amendment can be brought ?

Shri S. Ahmad Ali—This is regarding nomination and the Act has already been enforced by notification.

Shri Dulal Chandra Barua—Whatever it may be. We have no objection to any amendment. But what is the logic and whether there is standing convention to bring in such amendment before enforcement of the Act ? We object to this amendment because the Bill has not been given effect to ?

Mr. Speaker—Effect has been given.

Shri S. Ahmad Ali—It is in force Sir.

( interruptions )

Mr. Speaker—Hon'ble members know that today is the last day for debate on Governor's Address and many hon'ble members who have not spoken want to speak. So we should not take away the time in this way.

Shrimati Renuka Devi Barkataki—Sir, in the Select Committee where I was a member, advocating for inclusion of this clause, but they were opposing. Now after 2 or 3 months the Minister is coming with the same

amendment. Will the Minister tell us why he did not accept our amendment at that time and why he is coming with the amendment now ?

Shri S Ahmad Ali—Sir, we can discuss these things at the consideration stage.

( Voice from the Opposition : Because they are 95 members )

Shri Gajen Tanti—Sir, I beg leave of the House to introduce the Assam Co-operative Societies ( Amendment) Bill, 1974.

Mr. Speaker—Has the Hon'ble Minister leave of the House to introduce the Bill ? ( Voices : Yes, yes ) The Leave is granted.

Shri Gajen Tanti – Sir, I beg to introduce the Assam Co-operative Societies ( Amendment ) Bill, 1974.

(The Secretary read out the title of the Bill introduced )

Mr. Speaker—The Bill is introduced.

To-day is the last day for debate on Governor's Address. We have got 1 hour 15 minutes now and in the afternoon one hour because I wart to cal lupon the Chief Minister at 3-30 p. m. Will that do ?

Shri S. Ahmad Ali—Yes, Sir.

Mr. Speaker—Ther fore, we are left with 2 hours 15 minutes. I have the list of speakers; there are 7 speakers, and if the hon'ble member speaks 15 each I think we can cover. ( voices from the Opposition : more time will be necessary Sir )

**Debate on the Governor's Address**

শ্ৰীঅযোধ্যাৰাম দাস - মাননীয় অধ্যক্ষ মহোদয়, কালি ৰাজ্যপালৰ ভাষণৰ

---

*Speech not corrected

ওপৰত কেইষাৰমান কথা কঁলো আৰু আজি চৰকাৰৰ অৰ্থনৈতিক যিটো অৱস্থাত জনসাধাৰণৰ মাজত এটা নতুন বাতাবৰণ আৰু এটা নতুন আলোড়ণ সৃষ্টি কৰাৰ আচল মাধ্য হ'ল সমবায় সমিতিসমূহ । এই সমবায় সমিতি-সমূহ সংগঠন কৰি এইবিলাকৰ জৰিয়তে অসমৰ উপনিবেশিক যিটো অৱস্থা সেইটোৰ পৰিবৰ্ত্তন সাধন কৰা হৈছে । কিন্তু অৰ্থনৈতিক অৱস্থাৰ ক্ষেত্ৰত চৰকাৰে যিটো প্ৰচেষ্টা চলাইছে সেই প্ৰচেষ্টা কাৰ্য্যত পৰিণত কৰিবলৈ হলে জনতাৰ সহায় সহযোগ লব লাগিব । আজি অসমত ৬৬৩ টা সমবায়ৰ যিটো ব্যৱস্থা কৰিছে তাত যদি অসমৰ সমূহ জনসাধাৰণৰ সহায় সহানুভূতি থাকে আৰু সকলো কৰ্মচাৰীয়ে যদি তাৰ দায়িত্ব বহন কৰিবলৈ পূৰ্ণ সমৰ্থ হয়, তেতিয়াহলে এই ব্যৱস্থা নিশ্চয় কৃতকাৰ্য্য হব আৰু ইয়াৰ দ্বাৰা দৰিদ্ৰ দুখীয়া জনসাধাৰণৰ আৰ্থিক উন্নয়ন সাধন হব । এই বিষয়ে কোনেও সন্দেহ কৰিব নোৱাৰে । কাৰণ এইটো আজি ২৬ বছৰীয়া স্বাধীনতাৰ পিচত অসম চৰকাৰৰ এটা বলিষ্ঠ পদক্ষেপ । তাৰ বাবে মই অসম চৰকাৰক ধন্যবাদ জনাইছো ।

অধ্যক্ষ মহোদয়, ভূমি সংস্কাৰৰ ক্ষেত্ৰত আন এটা বলিষ্ঠ পদক্ষেপ আমাৰ চৰকাৰে হাতত লৈছে ।

অধ্যক্ষ মহোদয়, ভূমি সংস্কাৰৰ ক্ষেত্ৰত আমাৰ আন এটা বৈপ্লবিক পদক্ষেপ লৈছে । এই পদক্ষেপ লোৱাৰ লগে লগে আজি আমাৰ সমাজৰ চুকে-কোণে আৰ্ত্তনাদ উঠিছে । আজি আমাৰ সমাজত একশ্ৰেণীৰ মানুহে ব্যাপক দাৰিদ্ৰৰ সীমাৰেখাৰ তলত থকা সকলক অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিছে । আজি দেশত চৰা দাম যি ধৰণে আগবাঢ়িছে আজি সকলো সমাজতে তাৰ প্ৰতিক্ৰিয়া হৈছে । কিন্তু তাৰ কাৰণে চৰকাৰক দোষাৰোপ কৰিলে সমস্যাৰ সমাধান নহব । আজি যি নীতিয়ে নোবোলক সেই নীতি কাৰ্য্যকৰী কৰিবলৈ সকলোৰে সহযোগ লাগিব । অকল ধৰ্মঘট কৰিবলৈ উচতাই দি সকলো সমস্যাৰে সমাধান কৰিব নোৱাৰি তাৰ কাৰণে লাগিব সক্ৰিয় সহযোগ ।

আমাৰ চৰকাৰে ভূমিনীতিৰ কাৰণে লেণ্ড ইউজ কমিটি কৰি দিয়া কথা আছিল আৰু তাৰ অংশ চাৰ্কুলে চাৰ্কুলে থাকিব কিন্তু আজিলৈ এই কমিটি গঠন নহ'ল । গতিকে এই কমিটি যাতে সোনকালে কৰা হয় তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো । আজি আমাৰ দেশৰ শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰৰ সীমাৰেখাৰ তলত আছে । এই লোক সকলক আগ-

বঢ়াই আনিবলৈ চৰকাৰে নানা ধৰণৰ আঁচনি যুগুত কৰিছে। এই আঁচনিৰ ভিতৰত ৯ দফীয়া আঁচনি লৈছে। এইটো বৰ সন্তোষৰ কথা। কিন্তু আমাৰ যি বিলাক ৰাষ্ট্ৰকৃত বেঙ্ক সেই বেঙ্কবিলাকৰ পৰা আমাৰ গৰীব ৰাইজে সুবিধা নাপায়। সুবিধা পাব ধনী মানুহে, যি চিক্ৰুৰ বাখৰ কৰিব পাৰে, যাৰ ৪-৫ টা ল'ৰা-ছোৱালীয়ে অফিচত চাকৰী কৰে বা যি সমাজত প্ৰতিপত্তি বিস্তাৰ কৰিব পাৰিছে তেওঁলোকেহে। এনেকুৱা উদাহৰণ বহুত আছে—কিন্তু যাক আৰ্থিক সাহায্য লাগে তেওঁ নাপায়।

(সময়ৰ সংকেট)

অসমত চৰকাৰী হিচাব মতে অনুসূচিত জাতিৰ সংখ্যা ১০ লক্ষ, বেচৰকাৰী হিচাব মতে এই সংখ্যা ১৫ লক্ষ। ইয়াৰে ভিতৰত আজি ২৬ বছৰে ৭ লক্ষ মানুহে মাছৰ ব্যৱসায় কৰি খাই আহিছে। কিন্তু এই কেইজন মানুহৰ কাৰণে আজি কেইজন মানুহে চিন্তা কৰিছে। নানাজনে নানা ধৰণে সভা স্থগিত প্ৰস্তাৱ আনি সকলোৱে বিষয়ে আলোচনা কৰিছে কিন্তু কোনো-বাই এই পৱিত্ৰ সদনত এই ৭ লক্ষ নিবাহ লোক সকলৰ কথা চিন্তা কৰিছে নে? তেওঁলোকৰ আজি অৰ্থনৈতিক আৰু সামাজিক কোনো স্বাধীনতা নাই। আজি আজি তেওঁলোকে মীন ব্যৱসায় কৰি খাইছে কিন্তু তাতো তেওঁলোকে কাৰোবাৰ ভৃত্য হৈ চলিব লগা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মীন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অনতি পলমে এই মীন পট্টন নীতিৰ পৰিবৰ্ত্তন কৰক—আৰু তেওঁলোকে ৰাষ্ট্ৰকৃত বেঙ্কৰ যাতে সহায় পায় তাৰ ব্যৱস্থা কৰক। গতিকে যি বিলাক আঁচনি লোৱা হৈছে সেই আঁচনি বিলাকত কৃতকাৰ্য্য কৰি তেওঁলোকক দাৰিদ্ৰৰ সীমাৰেখাৰ পৰা আগবঢ়াই আনে তাৰ বাবে অনুৰোধ কৰিলো। অৱশ্যে মায়ঙৰ যাদু নহয়—একেকুৰে হব। এই আঁচনি বিলাক ফলৱতী কৰিবলৈ আমি আলোচনালৈ আগবাঢ়ি আহি সকলোকে উদ্গনি দিব লাগে আৰু সকলোৱে তাৰ কাৰণে দায়িত্ব বহন কৰিব লাগে।

আজি অসমত ডেৰ কোটি সজাগ জনতা আছে। এই ডেৰ কোটি সজাগ জনতাই আজি পিয়নৰ পৰা মণ্ডললৈ সকলোৱে যদি আমি নিজৰ কামত সচেতন হওঁ নিশ্চয় দাৰিদ্ৰৰ সীমাৰেখা কিছু তললৈ নমাব পৰা যাব।

এইখিনিকে কৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্ৰীগুণেন্দ্ৰ নাথ পণ্ডিত ডাঙ-ৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাবটো সমৰ্থন কৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা দাঙি ধৰা প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কবলৈ আগবাঢ়িছো। ৰাজ্যপালৰ ভাষণটো ঠিক আটাইখিনি গতানুগতিক নহয় যদিও যেছি ভাগেই গতানুগতিক বুলি কব পাৰো কিয়নো আইন-শৃংখলাৰ কথা কৈছে এইটো গতানুগতিক। আজি সাত বছৰৰ অভিজ্ঞতাৰ পৰা কৈছো, দূৰ্নীতি নিবাৰণৰ ব্যৱস্থা গতানুগতিক, বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগ, বাননিয়ন্ত্ৰণ, কৃষি, জল-সিঞ্চন, ভুমিসংস্কাৰ এই বিলাক আটাইবিলাক গতানুগতিক কথা। পৰিকল্পনা কৌশলো গতানুগতিক। এই কেইটাৰ বাহিৰে বাকী কেইটামান অলপ নতুন বস্তু পাইছো। গতানুগতিক এই কাৰণেই কৈছো যে ৰাজ্যপালে ভাষণৰ দ্বাৰা ইয়াকে প্ৰমাণ কৰিলে যে অসমৰ ৰাইজৰ লগত তেওঁৰ সম্বন্ধ বহুত দূৰত, অসমৰ ৰাইজ সম্পৰ্কে তেওঁ অজ্ঞতাৰ আন্ধাৰত ডুব গৈ আছে। ইয়াৰ লগে লগে যিহেতু কেবিনেটে অৰ্থাৎ মন্ত্ৰী সভাই এই ৰাজ্যপালৰ ভাষণটো পাচ কৰি দিছে গতিকে ৰাজ্যপালৰ লগতে মন্ত্ৰী সভাও অন্ধকাৰত ডুব গৈ আছে। গতিকে যি মন্ত্ৰী সভাই ৰাজ্যৰ জনসাধাৰণৰ প্ৰকৃত ছবিটো নাজানে, ৰাজ্যখনৰ ছবি ঠিক মতে নাজানে সেই মন্ত্ৰী সভাই ৰাজ্যৰ কি ছবি দাঙি ধৰিব আৰু কামেই বা কৰিব কি সেইটো সহজে অনুমান কৰিব পাৰি।

অধ্যক্ষ মহোদয়, কালি এগৰাকী মাননীয় সদস্যই কৈছে যে আমাৰ ৰাজ্য শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে। চতুৰ্থ পৰিকল্পনাত শেষৰ বছৰত কি হল সেইটো দিয়া নাই। এই শতকৰা ৭৪ ভাগ মানুহে খাইছে কি, পিন্ধিবলৈ কাপোৰ পাইছে নে নাই, থাকিবলৈ ঘৰ পাইছে নে নাই সেইটো চাব লাগিব। কিন্তু ইয়াৰ কাৰণে কিমান টকা খৰচ কৰা হৈছে তাৰ কোনো সীমাসংখ্যা নাই। কাজেই মই কৈছো যে চৰকাৰ যদি নিজেই অজ্ঞ হয় অন্ধকাৰত পোত খাই থাকে তেনেহলে ৰাজ্যৰ জনসাধাৰণৰ উন্নতি কেনেকৈ আশা কৰিব পাৰি? মোৰ স্বামী বিবেকানন্দৰ এষাৰ কথালৈ মনত পৰিছে, তেখেতে কৈছিল যে, যেতিয়া মানুহ নেখাই মৰিব, অজ্ঞ হৈ অন্ধকাৰত ডুব গৈ থাকিব তেতিয়া সমাজৰ যি শ্ৰেণীয়ে আইন ৰচনা কৰিছে, নীতি তৈয়াৰ কৰিছে সেই চাম বহু মূৰ্খ। আজি এই বহুমূৰ্খ বিলাকেই আসন অধিকাৰ কৰি আছে। আজি সেই বিবেকানন্দৰ নামত দক্ষিণ ভাৰতৰ কুমাৰিকাটাত তিনি কোটি টকা ব্যয় কৰিছে। শ্ৰদ্ধা জনাইছে কিন্তু সেইটো ৰাইজক দেখুৱাইছেহে। কিন্তু কোনো কথাকে অনুকৰণ কৰা নাই। কেৱল মিছা কথা কৈ

ব্লাফ দি গণতন্ত্রৰ নামত, ধৰ্মনিৰপেক্ষতাৰ নামত, সমাজৰ নামত এই বিলাক অন্যায় কৰি আছে। এই বিলাক ৰাইজে আৰু সহ্য কৰিব নোৱাৰে। এই পবিত্ৰ সদনৰ বাহিৰলৈ যদি যোৱা হয় দেখা যায় সকলো বিলাক মানুহ এক আতংক-গ্ৰস্থ হৈছে। তেওঁলোকে আতংকগ্ৰস্ত হৈছে এই কাৰণেই যে কি খাই জীয়াই থাকিব, কেনেকৈ জীয়াই থাকিব ? এই বিলাক চিন্তা লৈয়েই তেওঁবিলাকৰ মাজত এক ভয়ংকৰ আতংকৰ সৃষ্টি হৈছে। কিবা যেন এক ভয়ংকৰ মূৰ্তিয়ে গ্ৰাস কৰিবলৈ আগবাঢ়ি আহিছে। আজি 'ইজিম'ৰ নামত যিবিলাক 'ইজিম'ৰ বিদগ্ধ পণ্ডিত আছে সেই বিলাকে 'ইজিম'ৰ নামত যুঁজ কৰি আছে। বিভিন্ন ইজিমৰ নামত গান্ধীজিম, মাৰ্ক্সিজিম আদিৰ নামত যুঁজ চলাই আছে। ব্যক্তিগত গুণাগুণলৈ মন নকৰি কেৱল 'ইজিম'ৰ নামত যুঁজ চলাই আছে।

অধ্যক্ষ মহোদয়, মই এইটো কথা কওঁ যে মানুহ জন্মতেই দূৰ্নীতি পৰায়ণ হৈ নাহে। এই পৰিবেশৰ লগত মিশ্ৰণ হৈ দূৰ্নীতি পৰায়ণ হৈ পৰিছে। আজি ব্যক্তিগত প্ৰভাৱ দুৰ্বল হৈ পৰিছে। কিন্তু চৰকাৰে এইটো উপলব্ধি কৰিব পৰা নাই। সেই কাৰণেই দৃঢ় বিশ্বাসেৰে এই বিলাক বন্ধ কৰিব পৰা নাই। গতিকে দূৰ্নীতি বন্ধ কৰিব নোৱাৰা এই চৰকাৰৰো গাদীত বহি থাকি-বৰ কোনো অধিকাৰ নাই। ভাৰতীয় অৰ্থশাস্ত্ৰত এটা কথা আছে যে দুষ্টক দমন আৰু শিষ্টক পালন কৰিব লাগে কিন্তু আজি সেইটো হোৱা নাই। আজি হৈছে শিষ্টৰ দমন আৰু দুষ্টৰ পালনহে। যিয়ে যিমান মিছা কথা কব পাৰে যেয়ে যিমান বুদ্ধিৰ লড়াই কৰিব পাৰে সেয়ে সিমানখিনি ভাল ভাৱে পালন হৈ আছে। মানুহ আজি জানোৱাৰৰ নিচিনা বসবাস কৰিছে। এইটো হৈছে পৰিবেশৰ কাৰণেই কিন্তু গতানুগতিক বক্তৃতাৰ দ্বাৰা কোনো কাম নহয়। আমি আটাইবিলাক মোটি-ভেটেড হৈছো। কিছুমান মুষ্টিমেয় লোকে সুবিধা আদায় কৰি আছে। এচামৰ ভাগ্য ওপৰত উঠি গৈছে কিন্তু বাকী বিলাক যে পিচপৰি থাকিল সেই কথালৈ কোনেও কাণ কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, কেইটামান উদাহৰণ দিব খুজিছো। এই উদাহৰণ কেইটাই চৰকাৰৰ যোগ্যতাৰ নমুনা দিব। আজি একো একোটা বিভাগ একো একোজন মন্ত্ৰীৰ দায়িত্বত আছে কিন্তু কি কৰিছে ? বোৰ্ড আদি কৰিছে। নিজৰ নিজৰ বিভাগৰ কাৰণে ষ্টেণ্ডিং কমিটি কৰি দিছে কিন্তু ষ্টেণ্ডিং কমিটি মেম্বাৰ সকলেও নিজৰ নিজৰ স্বাৰ্থ পূৰণতে চেষ্টা কৰি থাকে। কোন মন্ত্ৰীয়ে কি বিলাক কাম কৰি আছে কোনেও নাজানে। কিমান অফিচাৰেই কিমান

কৰিছে জানে কোনে ? আনকি একাটা বিভাগৰ মন্ত্ৰীয়েও নাজানে। কনচালটেচন কমিটিক সুবিধা দিলেও কাম হ,লহেতেন। আমিও আলোচনা আদি কৰিবলৈ কোনো সুবিধা নাপাওঁ। এটা এটাকৈ এই বিভাগ বিলাকৰ কথাকে কৈছো। প্ৰথমতে কৃষি বিভাগৰ কথাকে কৈছো। ইয়াত কি চলি আছে ? খেতিয়ক সকলক মহামুৰ্খ বুলি কয় বহুতে কিন্তু মই নকওঁ। কিয়নো তেওঁলোক সহজ আৰু লিখা পঢ়া নাজানে কাৰণেই মহামুৰ্খ হব নোৱাৰে। কিয়নো তেওঁলোকে যি কাম কৰে—মাটি চহোৱাৰ পৰা গছৰ পুলি এটাৰ গজালি ওলোৱাৰ পৰা কেনেকৈ ডাঙৰ হয়, কেনেকৈ ফল দিয়ে এই আটাইবিলাক কথা এক ধ্যানে লক্ষ্য কৰি থাকে আৰু সেই চিন্তাতে মগ্ন থাকে গতিকে তেওঁবিলাকে কাণ নকৰিব পাৰে আন বিলাক কথাত কিন্তু সেই বুলি তেওঁলোক মুৰ্খ নহয়। ঠিক ল'ৰা-ছোৱালী তোলাৰ নিচিনাকৈয়ে গছৰ পুলি আদি ফল দিয়ালৈকে এক ধ্যানে চিন্তা কৰি থাকে। গতিকে অন্ধকাৰত লুকাই থাকিলেও এটা চিন্তাত মনোনিবেশ কৰি থকা কাৰণে তেওঁলোক মুৰ্খ নহয়। হব নোৱাৰে।

বৰ্ত্তমান কৃষি বিভাগটোৰ কাৰণে বহুতো টকা ধৰা হৈছে। এই টকা যদিও খেতিয়কৰ সুবিধাৰ কাৰণে দিয়া হৈছে তথাপিও যি অৰ্থত এই টকা দিয়া হৈছে সেই আচল অৰ্থত ব্যৱহাৰ নহব। খেতিয়ক সকলেও সেই টকাৰ পৰা কোনো সুবিধা নাপাব। তাৰ শতকৰা ৮০ ভাগ টকা পকেটত সোমাব। অৱশ্যে মই সকলো বিলাক অফিচাৰৰ পকেটত সোমোৱাৰ কথা কোৱা নাই। কেইজনমান মুষ্টিমেয় অফিচাৰৰ পকেটত এই গোটেই টকাৰ শতকৰা ৮০ ভাগ সোমাই থাকিব। ইয়াৰ ফলত শতকৰা ২০ ভাগ টকাৰে যি বিলাক কাম আৰম্ভ কৰিব সেই বিলাক কাম কেতিয়াও ভাল হব নোৱাৰে আৰু তাৰ দ্বাৰা ৰাইজে কেতিয়াও সুবিধা ভোগ কৰিব নোৱাৰিব। যোৱাবাৰ ৰবি-শস্যৰ কাৰণে যিমান বিলাক টকা দিয়া হ'ল সেইবিলাক কলৈ গ'ল ? এই কথাটো লৈ যোৱা বিধান সভাত হুলস্থূল হৈ গ'ল কিন্তু তাৰ কো'না জবাব চৰকাৰে দিব নোৱাৰিলে। কোনোবা অফিচাৰৰ বিৰুদ্ধে কিবা অভিযোগ আনিলে মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলোৱেই তেওঁক বচোৱাবলৈ চেষ্টা কৰে। কিন্তু ৰাইজক বচোৱাবলৈ চেষ্টা কৰাটো কোনো নাই।

আজি জলসিঞ্চনৰ নামত কি হৈছে ? তুং খণ্ডাইহে আছে তাৰ পৰা আমাৰ কোনো লাভ হোৱা নাই। মাত্ৰ ঠিকাদাৰ সকলক লাভৱানহে কৰা

হৈছে। নদীত যিবিলাক বান্ধ দিছে তাৰ কোনো ষ্টেটিচটিকচ নাই। বান্ধৰ নামত অ'ত এচপৰা মাটি পেলাইছে ত'ত এচপৰা মাটি পেলাইছে। এইদৰে কাম কৰিবলৈ হ'লে আমাৰ কেতিয়াবা কিবা নদী নিয়ন্ত্ৰণ কৰিব পৰা হবনে? প্ৰত্যেক বছৰেই বানপানী আহি খেতি নষ্ট কৰি থাকিব। এই দূৰ্দশাৰ পৰা আমাৰ ৰাইযক কেতিয়াবা সংাহ দিব পৰ হবনে?

আচলতে এই বিলাকৰ দ্বাৰা ঠিকাদাৰ সকলকহে সুবিধা দিয়া হৈছে। খেতিয়কক বানপানীৰ গবৰাহ পৰা ৰক্ষা কৰিবৰ কাৰণে টকা দিয়া হৈছে। এই টকাও বছৰি বছৰি খৰছ হৈ গৈছে কিন্তু এই টকা বিলাক খৰচ হোৱাৰ বিনিময়ত আমাৰ ৰাইজৰ কিবা উপকাৰ হৈছেনে?

মই ভাবো যে ৰাজ্যপালৰ ভাষণৰ পৰা ৩টা গুৰুত্বপূৰ্ণ কথা বাদ পৰি গৈছে। সেইটো হৈছে গোৱালপাৰা জিলাৰ কথা। গোৱালপাৰা জিলাখন চৰকাৰে এই দৰে অৱহেলিত কৰি ৰখাৰ কাৰণ কি? থাকিব পাৰে এজন বয়োবৃদ্ধ মানুহ দলৰ দলপতি হিচাবে। তেখেত দলপতি হ'ল বুলিয়েই গোৱালপাৰা জিলা উন্নত হৈ গলনে? গোৱালপাৰা জিলাক কিয় ইমান অৱহেলিত কৰি ৰখা হৈছে সেই কথা ভাবিলে দুখ লাগে। গোৱালপাৰা জিলাত কিবা ঘটনা ঘটিলেই সেইবিলাক কথা বাতৰি কাকতত প্ৰকাশ নাপায়, বা ৰেডিঅ'ৰ দ্বাৰা প্ৰচাৰ নহয়। গোৱালপাৰা জিলাৰ গঙ্গাধৰ নৈৰ দলংখন বানপানীয়ে ভাঙি লৈ গ'ল। এই দলংখনৰ ৬০০ ফুট ভাঙি নিলে। কিন্তু এই কথা অসমৰ ৰেডিঅ'ৰ যোগে প্ৰকাশ নহ'ল। এই দলংখন নেচনেল হাইওৱেত হোৱাৰ কাৰণে অসমৰ যোগাযোগ বিচ্ছিন্ন হৈ গ'ল কিন্তু এই কথা বাতৰি কাকত বা অসমৰ ৰেডিঅ'ৰ যোগে প্ৰকাশ নাপালে। এই কথা কলিকতাৰ ৰেডিঅ'ত প্ৰচাৰ হোৱাৰ দুই দিনৰ পিচতহে গুৱাহাটীৰ ৰেডিঅ'ত প্ৰচাৰ হৈছে। ১৯৬৮ চনত গোৱালপাৰা জিলাত যিটো বানপানী হৈ গ'ল তাত কিমান হাঁহ কুকুৰা মৰিল তাৰ হিচাব নাই, কিমান গৰু মহ মৰিল তাৰ হিচাব নহ'ল। এই সম্পৰ্কত কোনেও মনোযোগ নিদিলে। এই বিলাক বাজেট বক্তৃতাত বা বাজেট ভাষণত প্ৰকাশ পাব লাগিছিল। কিন্তু গোৱালপাৰা বাসীৰেই দুৰ্ভাগ্য যে কোনো দিনে এই বিলাক কথাই ৰাজ্যপালৰ ভাষণ বা বাজেট বক্তৃতা আদিত স্থান নাপালে। অসমৰ আন সকলো বিলাক জিল্লাই ক্ৰমান্বয়ে আগবাঢ়ি গৈছে। কিন্তু গোৱালপাৰা জিলাখন আগবাঢ়ি যাওক চাবি পিচ পৰিহে গৈছে। আজি গোৱালপাৰা জিলাৰ ট্ৰাইবেল সকলে

যে বেলেগ গোট বিচাৰিছে তাৰ কাৰণে দায়ী কোন? এই চৰকাৰেই নহয়নে? আমি এই কথা জানো যে যেতিয়াই মানুহক অৱহেলিত কৰি ৰখা গৈছে আৰু মানুহৰ যেতিয়াই অৱহেলিত হৈ আছো বুলি চেতনা আহিছে তেতিয়াই আন্দোলন কৰিছে। গতিকেই আজি গোৱালপাৰাৰ ট্ৰাইবেল লোক সকলে বেলেগ ৰাজ্যৰ কাৰণে আন্দোলন কৰিছে। এনেধৰণৰে যদি সদায়েই গোৱালপাৰা বাসীক অৱহেলিত কৰি ৰাখিবলৈ বিচাৰে তেন্তে সেইটো কেতিয়াও ন্যায় বিচাৰ হব নোৱাৰিব আৰু ভৱিষ্যতে ইয়াৰ ফল বেয়ালৈ যাব।

মিঃ স্পীকাৰ—আপুনি শেষ কৰক।

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী—মই শেষ কৰিছো চাৰ, মাত্ৰ এটা পইণ্ট। তাৰ কাৰণে চৰকাৰে ভৱিষাতে ৰাইজক দোষিব নোৱাৰিব। আজি কিমান জন গোৱালপাৰাৰ মানুহে চৰকাৰী কামত নিযুক্তি পাইছে, তাৰ এটা হিচাব কৰি উলিয়াই যদি চায় তেন্তে দেখিবলৈ পাব যে গোৱালপাৰাৰ মানুহেই আটাইতকৈ কম। এইদৰে যদি মানুহ বিলাকক অৱহেলিত কৰি ৰাখে তেন্তে দেশত বিপ্লব হব। কংগ্ৰেছ চৰকাৰৰ অহিংসা মন্ত্ৰে এই বিপ্লব মসীমূৰ কৰিব নোৱাৰিব।

এটা কথা শুনি আচৰিত হব এগৰাকী মানুহৰ পট্টাৰ মাটিত কেইজোপামান শাল গছ আছিল। সেই সময়ত ৰেভিনিও মিনিষ্টাৰ আছিল সিদ্ধিনাথ শৰ্মা। আমাৰ মুখ্যমন্ত্ৰী তেতিয়া দলপতি আছিল। তেওঁ যাৱতীয়া অৰদাৰ লৈ সেই শাল গছ কেইজোপা কটালে। কিন্তু অৰদাৰটো দিফেকটিভ বুলি কাঠ বিলাক জব্দ কৰিলে। সেই কাঠ এতিয়া উইয়ে খাই নাইকীয়া কৰিলে কিন্তু সেই কেচটোৰ এতিয়াও ফইচলা নহল। মুখ্যমন্ত্ৰী সভাপতি হৈ থাকোতেই এখন চিঠি সেই সম্পৰ্কত দিয়া হৈছিল। কিন্তু আজিলৈকে ফৰেষ্ট বিষয়া সকলৰ কলা-কৌশলৰ ফলত এই মূল্যবান কাঠখিনিয়েই নাইকীয়া হৈ গ'ল কিন্তু কেচটোৰ কোনো মিমাংসা নহ'ল।

চৰকাৰে টেক্স বঢ়াইয়েই আছে। এই টেক্স গৈ কিমান পাইছেগৈ সেই কথাৰ হিচাব চৰকাৰে ৰাখিছেনে? আজি যদি আমাৰ ৰাইজে কিমান টেক্স দিছে সেইটো বুজি উঠে তেনেহলে বিপ্লবৰ সৃষ্টি নহবনে? আমাৰ কৰ্ট ফি ষ্টেম্প বিক্ৰী হয়। মন্ত্ৰীসকললৈ কিবা এখন দৰ্খাস্ত কৰিব লগীয়া হলেও তাত কৰ্ট ফি ষ্টেম্প লগাবলগীয়া হয়। এই কৰ্ট ষ্টেম্পত গুৱাহাটীৰ মুনচিফ অফিচত

*Speech not corretced

৪ হাজাৰ টকাৰ লোকচান হৈছে। এটা অফিচ'ত যদি ৪ হাজাৰ টকাৰ লোকচান হয় তেনেহলে অসমৰ যিমান বিলাক অফিচ আছে সেই আটাই বিলাকতে কিমান লোকচান হয় সেই কথাৰ হিচাব চৰকাৰে ৰাখিছেনে? চৰকাৰৰ অৰ্ডাৰ হাইকোৰ্টে নামানে, হাইকোৰ্টৰ কথা চৰকাৰে নামানে। মিছাই কৰ্ট ফি ষ্টেম্প দি কেচ কৰি থাকিব লগীয়া হৈছে। এই দাৰেই চৰকাৰক ফাকি দি এক শ্ৰেণীৰ মানুহে দূৰ্নীতিত লিপ্ত হৈ আছে। এই বিলাক বন্ধ কৰিবলৈ হলে.... ....

( দীঘলীয়াকৈ সময়ৰ সংকেট )

চৰকাৰে সেই মতেই ব্যৱস্থা হাতত লব লাগিব।

শ্ৰীউপেন সনাতন—মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ প্ৰতি ধন্যবাদ জনাইছো। ৰাজ্যপালৰ ভাষণত সকলো কথাই বহলাই কোৱা হৈছে। কিন্তু আটাইতকৈ ডাঙৰ কথা যে, আমাৰ চৰকাৰে ইমান সোনকালে শ্বিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ আনিলে তাৰ কাৰণে মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ ৰাজ্যপালৰ ভাষণত বহুতো কথাই কোৱা হৈছে। দেশত কি কি আঁচনি লৈছে এই বিষয় মই বৰ বেছি বহলাই নকওঁ। যিহেতুকে আজি ২৫।২৬ বছৰৰ ভিতৰত আমাৰ চৰকাৰে যিবিলাক আঁচনি লৈছে সেই বিলাক ক্ৰমান্বয়ে হৈ আহিছে। কোনো ঠাইত কিবা ত্ৰুটি হব পাৰে, কিন্তু আঁচনি বিলাক হৈ আছে। যদি কোনোবাই কয় যে চৰকাৰে একো কৰা নাই বোধকৰো এইটো বৰ সঁচা কথা কোৱা নহব। লগতে মই এইটো কথা কব খোজো যে আমাৰ চৰকাৰে যিবিলাক আঁচনি লৈছে যেনে, বিজুলিৰ ক্ষেত্ৰতেই হওক বা ৰাস্তাৰ ক্ষেত্ৰতেই হওক বৰ্ত্তমান খাদ্যৰ আঁচনিটোৱেই আটাইতকৈ ডাঙৰ আঁচনি। যদি আমি প্ৰকৃততে ৰাইজৰ মাজত খাদ্য যোগান ধৰিব নোৱাৰোঁ তেতিয়া হলে সেই ৰাইজৰ পৰা আশীৰ্বাদ পাব নোৱাৰোঁ। আজি স্বাধীনতাৰ ২৬ বছৰৰ পিছত আমাৰ ইয়াত বহুতো ডাঙৰ ডাঙৰ ঘৰ হ'ল বহুতৰে মটৰ গাড়ী হ'ল, ডাঙৰ ডাঙৰ ৰাস্তা হ'ল, বহুত মানুহ শিক্ষিত হ'ল কিন্তু আমাৰ খাদ্য দ্ৰব্যৰ উৎপাদন বৃদ্ধি নহ'ল তাৰ ফলত গৰীব ৰাইজৰ অৱস্থা আজি শোচনীয় হৈছে। যদি আমি ৰাইজক ভাল ধৰণে খাদ্য যোগান ধৰিব পাৰিলোহেঁতেন তেতিয়া হলে ৰাইজৰ পৰা আশীৰ্বাদ পালোহেঁতেন। এই খিনিতে মোৰ এটা কথালৈ মনত পৰিছে, "এজন পণ্ডিতৰ মৃত্যু হ'লত তেওঁ

যমৰ ঘৰলৈ গ'ল। পণ্ডিতক চিত্ৰগুপ্তই কলে আপু বৰ ভাগ্যৱান মানুহ, আপোনাৰ জীৱনত আপুনি ১৪ অনা ধৰ্মৰ কাম কৰি আহিছে আৰু ২ অনাহে মাত্ৰ পাপ আছে, এতিয়া আপুনি কোনটো ভাগ আগতে লব খোজে ? তেতিয়া পণ্ডিতে কলে আগতে ২ অনা পাপৰ ভাগ ভোগী লওঁ, তেতিয়া হলে বাকী সময়ছোৱা ভালদৰে সুখ ভোগ কৰিব পাম । তেতিয়া চিত্ৰগুপ্তই পণ্ডিতৰ কথা শুনি পণ্ডিতক সাপৰ জনম দিলে। পণ্ডিত সাপ হৈ ৰাস্তাৰ কিনাৰে কিনাৰে হৈ আছে ইতিমধ্যে ৰাস্তাত এটা গৰু হৈ আছিল, সাপটোৱে গৰুটো দেখি খোট মাৰি দিলে, গৰুৰ ৰখীয়াজনে অলপ সময়ৰ পিচত সাপটো মাৰি পেলালে । তেতিয়া সাপটো পুনৰ চিত্ৰ গুপ্তৰ ওচৰ পালেহি চিত্ৰ গুপ্তই হাঁহি হাঁহি কলে, কি হ'ল সোনকালে ঘূৰি আহিলা যে । তেতিয়া পণ্ডিতে কলে' মোৰ ওচৰেদি এটা গৰু হৈ আছিল মই গৰুটো খুটি দিলোঁ, গৰুটো মৰিল আৰু অলপ সময়ৰ পিছত মোকো মাৰি পেলালে । গতিকে এতিয়া মোৰ ১২ অনা ধৰ্ম আছে কি জনম দিয়ে দিয়ক । তেতিয়া চিত্ৰগুপ্তই ক'লে ইতিমধ্যে তোমাৰ ১৪ অনা ধৰ্ম পাপলৈ ৰূপান্তৰ হৈ ১৬ অনা হৈছে। গতিকে তুমি আকৌ সাপ জনম লোৱা।" ঠিক সেইদৰেই আমাৰ চৰকাৰে ৰাইজক যি পৰিমাণে খাদ্য শস্যৰ যোগান ধৰিব লাগিছিল সেই পৰিমাণে পৰা নাই। মানুহে দিনে ৰাতিয়ে কাম কৰিব পাৰে কিন্তু খাবলৈ নেপালে আত্ম শান্তি নেথাকে। গতিকে আমি যিমানেই আঁচনি নকৰোঁ, কোনো আঁচনিয়েই ফলৱতী হব নোৱাৰে যদিহে আমাৰ ৰাইজে দুবেলা দুমুঠি খাবলৈ নেপায়। আজি আমি মাটিত কাগজ আৰু নাঙলক কলম হিচাবে লৈ ডাঙৰ ডাঙৰ মেপ আঁকি খাদ্য শস্যৰ উৎপাদনৰ আঁচনি কৰিছোঁ, কিন্তু সেই আঁচনি আজি কাগজতে আছে।

অধ্যক্ষ মহোদয়, ৰবি শস্য উৎপাদনৰ ক্ষেত্ৰত মই ইয়াকে কব খুজিছোঁ যে যোৱা বছৰ ৰবি শস্য কৰিবৰ কাৰণে আমাৰ ডিব্ৰুগড়তে বহু বাৰ অফিচাৰ, মিনিষ্টাৰ, এম, এল, এ সকল মোটা মোটা টি, এ লৈ অহা যোৱা কৰিলে কিন্তু ৰবি শস্যৰ উৎপাদনৰ ক্ষেত্ৰত অসম চৰকাৰ কাৰ্য্যকৰী নহল এইদৰে অজস্ৰ টকা খৰছ কৰা হ'ল কিন্তু ফলৱতী নহ'ল। অৱশ্যে ভূমিকম্পৰ ফলত অসমৰ বহুতো মাটি নষ্ট হ'ল। তাৰোপৰি তেল শোধনাগাৰৰ পাইপ লাইনটো যাওঁতে বহুতৰ মাটি লোকচান হ'ল। অৱশিষ্ট যি মাটি আছে তাতো যদি ভাল ধৰণে উৎপাদন বৃদ্ধি কৰিব পাৰিলেহেঁতেন তেতিয়া হলে

আমাৰ দেশত ইমান অভাৱ অনাটনৰ সৃষ্টি নহলহেঁতেন। আজি চৰকাৰে খেতিৰ পথাবলৈ বিজুলি শক্তিৰ যোগান ধৰিছে, টিওব ওৱেল বহুৱাইছে, কিন্তু সেই অনুপাতে খেতি হোৱা নাই।

আজি দেখা গৈছে যে ৰাজ্যপালৰ ভাষণত কৈছে ৰাজ্যখনৰ বিভিন্ন ঠাইত ডাঙৰ ডাঙৰ ফাৰ্ম হৈছে কিন্তু প্ৰকৃতপক্ষে কি হৈছে শদিয়াৰ পৰা ধুবুৰীলৈ দেখা মতে কেৱল কম পৰিমাণে হলেও খেতিহে হৈছে কিন্তু তেনে ধৰণৰ ডাঙৰ ডাঙৰ ফাৰ্ম আমাৰ চকুত পৰা নাই। আচল কথা কবলৈ গলে যিবিলাক আঁচনি চৰকাৰে হাতত লৈছে সেই বিলাক কাৰ্য্যকৰী কৰিবলৈ চৰকাৰে কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা নাই যেন লাগে। এই আঁচনি বিলাক সময় মতে কাৰ্য্যকৰী নকৰাৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত দৈনন্দিন ব্যৱহাৰ্য্য বস্তু-বাহানীৰ দাম দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে আৰু তাৰ ফলস্বৰূপে আমাৰ দুখীয়া খেতিয়ক আৰু শ্ৰমিক শ্ৰেণীয়ে দুবেলা দুমুঠিৰ কাৰণে হাঁহাকাৰ কৰিবলগীয়া হৈছে। আজি আমি দেখা পাওঁ এজন শ্ৰমিকে দিনতো কাম কৰি মাত্ৰ ৬ টকা পায় তাৰে সেই শ্ৰমিকজনে নিজক, নিজৰ তিৰোতা আৰু ল'ৰা-ছোৱালীক পোহ পাল দিয়াৰ উপৰিও নুন্নতম প্ৰয়োজনীয় সা-সুবিধা খিনি, কাপোৰ-কানি ইত্যাদিৰ লোৱাতো অসম্ভৱ কথা। এই ক্ষেত্ৰত এটা কথা আমাৰ চকুৰ আগত পৰে সেইটো হ'ল আজি আমাৰ দৈনন্দিন অত্যাৱশ্যকিয় প্ৰায় বিলাক বস্তুৱেই আমাৰ ৰাজ্যৰ বাহিৰৰ পৰা আহে আৰু সেই বস্তু ইঠাইৰ পৰা আন ঠাইলৈ অনা নিয়া কৰোতে ক্ৰমে দাম বাঢ়ি গৈ মুধচ পায়গৈ ফলত দুখীয়া জনসাধাৰণে সেই বিলাক বস্তু কিনিব নোৱাৰা হৈ যায়। আজি কোনেও আমাৰ চৰকাৰেও বুকু ডাঠকৈ কব নোৱাৰে যে আমাৰ দেশখনত তথা ৰাজ্যখনত বস্তু-বাহানীৰ উৎপাদন বৃদ্ধি কৰাৰ কাৰণে কিবা ভাল কাম কৰিছে। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যে চৰকাৰে যি কোনো উপায়ে হলেও ৰাজ্যখনৰ খাদ্য-দ্ৰব্য উৎপাদন কৰিবলৈ আন কামতকৈ বেচি জোৰ দিয়ে।

মাননীয় উপাধ্যক্ষ—আপুনি শেষ কৰক।

শ্ৰীউপেন সনাতন—এতিয়া আকৌ কিছুমান মানুহে কেৱল চিঞৰি আছে আৰু কাগজে-পত্ৰে কৈছে যে অমুক মন্ত্ৰীয়ে ঘোচ খাইছে, অমুকে দূৰ্নীতি কৰিছে,

*Speech not corrected

ব্লেক মাৰ্কেট কৰিছে কিন্তু সেই বিলাক অযথা কৈ একো লাভ নাই কিয়নো আপুনি চাব উপাধ্যক্ষ মহোদয়, বাঘে মানুহ দেখিলে ভয় কৰে সেইদৰে মানুহে বাঘক দেখিলে ভয় কৰে কিন্তু যেয়ে আগতে সুবিধা পায় সেই জনেই সুবিধা লব থিক তেনেকৈ এজন অফিচাৰেই হওক বা ন ন অফিচাৰেই হওক তেওঁ সুৰিধা পালে নিজৰ লাভ খিনি বচুল কৰি লয়। গতিকে এজন মানুহক দোষ দিয়া কথাটো মই পচন্দ নকৰো। আজি আমাৰ সকলো থিক হৈছে কিন্তু এটা প্ৰধান কথা হোৱা নাই যেনেকৈ এটা গান পাৰ্টিত ল'ৰা এজনে ভালকৈ গান গাইছে সংগীতো ভালকৈ বজাইছে কিন্তু নাচনী জনে ভালদৰে নাচিব জনা নাই। থিক তেনেকৈ চৰকাৰে যি মতে আঁচনি লৈছে সেই আঁচনি থিক আছে আৰু টকা-পইচাও থিক মতে দিছে কিন্তু সেই ঠাইবিলাকত টকা-পইচা খৰচ কৰা হৈছে তাত হলে কোনো উৎপাদন হোৱা নাই। এইটো থিক কথা আজি সকলোৱে অধিক উৎপাদন বিচাৰিছে কেনেকৈ অধিক উৎপাদন হয় সেই বিষয়ে অকল চৰকাৰেই অকলে চিন্তা কৰিবনে সকলোৱে চিন্তা কৰিব লাগিব. মাননীয় সদস্য সকলে, মাননীয় বিৰোধী দলৰ সদস্য সকলেও কিয়নো উৎপাদন বেচি হলে দুয়ো দলে ভালদৰে খাব পাৰিম। গতিকে খাদ্য দ্ৰব্য যাতে অধিক উৎপাদন কৰিব পাৰি সেই বিষয়ে বেচিকৈ চকু দিব লাগিব।

আমাৰ ৰাজ্যপালৰ ভাষণত এটা অতি গুৰুত্বপূৰ্ণ কথাৰ উল্লেখ কৰা নাই সেইটো হ'ল চাহবাগানৰ কথা অথচ চাহৰ নিলাম বজাৰৰ কথা উল্লেখ কৰিছে এবাল্টিং গাখীৰ দেখিলে তাৰ গাখীৰ দাতা গৰুজনী আৰু পোৱালী কেইটাৰ কাৰণে কোনেও নাভাবে থিক সেই ধৰণে চাহৰ নিলাম বজাৰৰ কথা মনত পেলাওতে তাৰ লগত ওতঃ-প্ৰোতঃ ভাৱে জৰিত থকা চাহবাগানৰ কথা কোনেও ভাবিৱলৈ সকাহ নাপায়, নিলাম বজাৰত কিমান চাহ বিক্ৰী হ'ল কিমান কিনিলে সেইবিলাকৰহে এটা অংকৰ হিচাব দিছে কিন্তু চাহবাগান বিলাকত মানুহ থাকে নে কেবল গছ-গছনি থাকে, চাহৰ পাত মানুহে তুলে নে মেচিনে তুলে ইত্যাদি যিবিলাক কথাৰ লগত এই চাহবাগানৰ অতি ওচৰ সম্বন্ধ আছে সেইবিলাক কথাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নকৰিলে। চাহবাগান বিলাকত থকা অসংখ্য শ্ৰমিক আৰু ল'ৰা-ছোৱালী আছে সেই-বিলাকৰ শিক্ষা দিক্ষা চিকিৎসাৰ কাৰণে চৰকাৰে কি কৰিছে সেই বিষয়েও ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

তাত মাইকী মানুহ শুই আছে, জীয়ৰী বোৱাৰী আদি শুই আছে। তাতে গৈ পুলিচে জোতা মোজা পিন্ধি ভাত পানী খোৱা বোৱা জেগাত আৰু য'ত পূজা পাতল আদি কৰে ভাত গৈ গছকি মোহাৰি বাকচ আদি খুলিব। লাওপানী থাকক নেথাকক বাচন আদি শুঙি চাব। ভাত ৰান্ধি খালেও দুই এদিন থাকিলে ভাতো কিবা এটা গোন্ধ নিশ্চয় ওলাব। কিন্তু তাকে মদ বনাইছে বুলি লিখি আনিব আৰু যাকে পাই তাকে গ্ৰেপ্তাৰ কৰি আনিব। তাৰ পিছত য'ত হাকিম আছে তাত তেওঁলোকক গৈ হাজিৰ কৰোৱা হব আৰু "তোমাৰ ঘৰত লাওপানী বনাইছিল, গতিকে তোমাক ইমান টকা ফাইন কৰা হ'ল" বুলি তেওঁলোকক ওচৰতে থকা আবকাৰী পুলিচৰ ওচৰলৈ পঠাই দিব। লাওপানী কিমান আছিল তালৈ কোনো কৰ্ণপাত নকৰে। যদি কৰিব লাগিছিল ২৫ টকা জৰিমনা, কৰিব ৩৫ টকা আৰু তাৰ কাৰণে কোনো ৰচিদ পত্ৰ আদিও নিদিয়ে। ভিতৰত থকা মাইকী মানুহে কাপোৰ কানি আদি পিন্ধিবলৈ সময় নোপোৱাকৈয়ে পুলিচ সোমাই যোৱা, পূজা পাতল কৰা জেগালৈ জোতা আদি পিন্ধি সোমাই গৈ পুলিচে অত্যাচাৰ কৰা, লাওপানী নোপোৱাকৈয়ে মানুহক জুলুম দিয়া এই বিলাক কথা যদি কোনোবাই মিছা বুলি কব পাৰে তেনেহলে তাৰ সাক্ষী দিবলৈ এতিয়াও চাহবাগান বিলাকত হাজাৰ বিজাৰ মানুহ আছে। মই সেই কাৰণে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যাতে চাহবাগানৰ এই দুখীয়া মানুহৰ ওপৰত আমাৰ আবকাৰী পুলিচৰ অত্যাচাৰ বন্ধ কৰা হয়। এই বিলাক কথাৰ অভিযোগ আমাৰ আবকাৰী মন্ত্ৰী মহোদয়, সচিব, কমিশ্বনাৰ আদিৰ ওচৰলৈ আহিবলৈকে নেপায় কিয়নো সেই বিলাক অভিযোগ আহিলে আমাৰ তলতীয়া চুপাৰিণ্টেণ্ডেণ্ট কৰ্মচাৰী বিলাকে গ্ৰাইপ কৰি থৈ দিয়ে। এই বিষয়ে মই আমাৰ চৰকাৰক অনুৰোধ কৰিছোঁ যাতে আব্‌কাৰী বিভাগৰ এই অত্যাচাৰ যাতে আমাৰ দুখীয়া আৰু অজ্ঞান মানুহ বিলাকৰ ওপৰত বন্ধ কৰা হয়।

(সময়ৰ সংকেত)

তাৰ পিছত মাটি-বাৰীৰ সম্পৰ্কত মই কেইটামান কথা কবলৈ আগবাঢ়িছোঁ। বাগানৰ যি বিলাক মাটি আগতে আমাৰ বাগানৰ মজদুৰ আৰু গাৱঁলীয়া মানুহে খাই আছিল সেই মাটিবোৰ এতিয়া মাটিৰ মালিক সকলে লৈ গৈ দুখীয়া খেতিয়ক সকলক বঞ্চিত কৰাৰ এটা চেষ্টা চলাইছে। চৰকাৰে এইটো সম্পূৰ্ণ বন্ধ কৰি দিব লাগে বুলি মই আমাৰ চৰকাৰৰ ওচৰত দাবী জনাইছোঁ।

আমাৰ দুখীয়া লোক সকলক যাতে মহাজন বিলাকে কোনো ধৰণৰ অন্যায় কৰিব নোৱাৰে তাৰ কাৰণে আমি চেষ্টা কৰা উচিত। এইখিনিকে মই আমাৰ চৰকাৰৰ ওচৰত অনুৰোধ কৰি মই আমাৰ ৰাজ্যপালৰ ভাষণটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীঅম্বৰীশ লাহৰী—মাননীয় উপাধ্যক্ষ মহোদয়, ৪।২।৭৪ তাৰিখে ৰাজ্যপালে দিয়া ভাষণৰ সমৰ্থনত আমাৰ মাননীয় সদস্য শ্ৰীগুণেন্দ্ৰ নাথ পণ্ডিতে দাঙি ধৰা প্ৰস্তাৱটো মইও সমৰ্থন কৰিছোঁ। আমাৰ ৰাজ্যপালৰ ভাষণত সমালোচনা কৰিবলৈ যাওঁতে আমাৰ ৰাজ্যপালৰ ভাষণত দিয়া আমাৰ দেশৰ প্ৰতিচ্ছৱি খন অতি সুন্দৰ হৈছে আৰু এই প্ৰতিচ্ছৱিটো এনেকুৱা সুন্দৰ হৈছে যে, তাক মই সমালোচনা হিচাবে কব খোজা নাই, আত্মবিশ্লেষণ হিচাবেহে এই খিনি কবলৈ গৈছো। এখন লেতেৰা বিচনাক এখন সুন্দৰ বিচনা চাদৰেৰে ঢাকি ৰাখিলে যেনেকুৱা হয় থিক সেইদৰেই আমাৰ দেশৰ পৰিস্থিতিটোও ৰাজ্যপালৰ ভাষণৰ মাধ্যমেদি সুন্দৰ ভাৱে প্ৰকাশ কৰাৰ মাজেৰে আমিও সেই কথাটোকে উপলব্ধি কৰিব পাৰিছো। এইটো কাৰণেই আজি মই কবলৈ বাধ্য হৈছো যে, আজি স্বাধীনতাৰ ২৭ বছৰৰ ভিতৰত আমাৰ ৰাজ্যখনৰ কাৰণে চৰকাৰৰ ফালৰ পৰা যিমান বিলাক আঁচনি গ্ৰহণ কৰা হৈছে আৰু ৰাজ্যপালৰ ভাষণৰ যোগেদি বা বাজেট বক্তৃতাৰ মাধ্যমেদি যিবিলাক চৰকাৰী আঁচনি, নীতি আৰু তথ্যপাতিৰ প্ৰচাৰ অভিযান চলিছে সেই বিলাক প্ৰকৃততে কাৰ্য্যকৰী হৈছেনে নাই তাৰ ওপৰত ভিত্তি কৰিয়েই এই কথা খিনি মই কৈছো।

ৰাজ্যপালৰ ভাষণৰ বিভিন্ন দপ্তৰৰ কাৰ্য্যসূচী বিলাক পৃথক পৃথককৈ বৰ্ণনা কৰা হৈছে। এই বৰ্ণনাত থকা আমাৰ ৰাজ্যখনৰ জলসিঞ্চনৰ কথাটো কবলৈ মই ইচ্ছা কৰিছো। জলসিঞ্চনৰ ব্যৱস্থা কৰা বুলিলে আমি সাধাৰণতে কৃষিত পানী যোগান ধৰাটোকে বুজাও। অসমৰ নিছিনা এখন কৃষি প্ৰধান দেশত আমি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা নাই। বাইজে নিজেই খাইও আমাৰ দেশখনৰ জনসাধাৰণকো জীয়াই ৰাখিছে। অসমৰ নিছিনা এখন স্বাধীন দেশৰ নাগৰিকে জলসিঞ্চনৰ কাৰণে অন্য চৰকাৰৰ ওচৰত কৃৰ দি নিজেই খেতি বাতি আদি চলাব লগা অৱস্থা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এইটো শুনি আচৰিত হব যে, জলসিঞ্চন বিভাগৰ মাননীয়

*Speech not corrected

মন্ত্রী মহোদয় যেতিয়া আমাৰ সমষ্টিলৈ গৈছিল তেতিয়া মই এই কথাটো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। কিন্তু বৰ দুৰ্ভাগ্যৰ কথা যে বিধান সভালৈ সদস্য হৈ অহা আজি তুবছৰেই হ'ল। এই তুবছৰৰ ভিতৰত মই চৰকাৰৰ ওচৰত নানান আবেদন নিবেদন আদি কৰিও ভূটান পাহাৰৰ পাদদেশ কামৰূপৰ উত্তৰাঞ্চলত জলসিঞ্চনৰ কোনো ব্যৱস্থা কৰিব নোৱাৰিলোঁ। এইক্ষেত্ৰত বিদেশী চৰকাৰ ভূটানৰ পৰা অহা এখন চিঠিৰ কথাই উল্লেখ কৰিব পাৰি চিঠিখন টেক্সেশনৰ কাৰণে আমাৰ স্বাধীন দেশৰ নাগৰিকলৈ ভূটান চৰকাৰৰ পৰা অহা এখন চিঠি। এই চিঠিখনত এইদৰে লিখিছে—

Subject : Water rent.

With reference to this office letter No 7/SDS/73/1390-37 dated September 10, 1973 regarding deposit of water tax for the year 1970, it appears in this office records that you have not yet deposited the rent which you were asked to deposit within 15th September, 1973. However, you are once again informed to deposit the rent within 15th December, 73 without fail: In the event of your failure to comply with this notice the water canal will be disconnected and cancelled. This may be treated as final notice and most urgent.

Sd/

Subdivisional Officer, S/Jongkhar

Bhutan

এনে অৱস্থা আমাৰ বাইজে যদি বিদেশী চৰকাৰক টেক্স দি থাকিবলগীয়া হয় তেতিয়াহলে আমাৰ চৰকাৰৰ প্ৰতি আমাৰ জনসাধাৰণৰ ভাৱধাৰা কেনেধৰণৰ হব পাৰে সেইটো সকলোৰে অনুমেয়। এইটো কেৱল আজিৰ কথা নহয় আৰু কিমান দিন এইদৰে বিদেশী চৰকাৰক টেক্স দি থাকিবলগীয়া হব পাৰে সেইটো আপোনালোকে নিজেই চিন্তা কৰি চাওক। তেওঁলোকক খেতিৰ মাটিত বহুৱাই যদি খোৱাপানীৰ ব্যৱস্থা কৰি দিব নোৱাৰো, জীয়াই থাকিবলৈ এমুঠি ভাত-কাপোৰৰ ব্যৱস্থা কৰি দিব নোৱাৰো তেনেহলে সেই

জনসাধাৰণে আজি আমাৰ চৰকাৰৰ পৰা কি আশা কৰিব পাৰে ? আৰু তেওঁলোকে তেওঁলোকৰ প্ৰাপ্যৰ বাবে আন্দোলনক মূল উদ্দেশ্য কৰি নললে কি উপায় আছে ? যি অৱস্থাত আমাৰ শিক্ষাৰ আমোল পাৰিৱৰ্ত্তনৰ কথা কোৱা হৈছে আৰু শিক্ষাৰ শিতানত ৰাজ্যপাল ডাঙৰীয়াই বহুত টকা ধৰা বুলি ঘোষণা কৰিছে তেনে অৱস্থাতে এই লোকসকলে আজি তেওঁলোকৰ ন্যায্য প্ৰাপ্যকণো পোৱা নাই—গতিকে চৰকাৰৰ ওপৰত জনসাধাৰণৰ কিবা আস্থা থাকিবনে ? আমাৰ ৰাজ্যত কেইটামান চৰকাৰী হাইস্কুলৰ বাহিৰে বাকী সকলোবিলাক স্কুল ভেনচাৰ অৱস্থাত পৰিচালিত হৈ আছে। এই কথা সকলোৱে সহজে অনুমান কৰিব পাৰি—কাৰণ সকলো সদস্যৰ সমষ্টিত আজি ভেনচাৰ স্কুল কমেও একোখনকৈ আছে। আজি আমাৰ ৰাজ্যৰ শিক্ষা গুৰু সকলে যিখিনি সুবিধা পাব লাগে সেইখিনি পোৱাৰ পৰা বঞ্চিত হৈছে। মই জনাত আমাৰ প্ৰত্যেকটো ভেনচাৰ স্কুলৰ শিক্ষক সকলে মাহে মাত্ৰ ৭৫ টকাৰ পৰা ১২৫ টকাহে দৰ্মহা পায়। এনেকুৱা পৰিস্থিতিৰে যদি শিক্ষাগুৰু-সকলে ছাত্ৰ-ছাত্ৰীক শিক্ষা দান দিব লগীয়া হয় তেনেহলে সেই স্কুলৰ পৰা বাহিৰ হৈ অহা ছাত্ৰ-ছাত্ৰীসকলে কেনেধৰণৰ শিক্ষা অৰ্জন কৰি আহিব সেইটো অধ্যক্ষ মহোদয় আপুনি সহজে অনুমান কৰিব পাৰিছে। আমি আমাৰ দেশৰ জনসাধাৰণক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ কাৰণে আঁচনি যুগুত কৰিছো, কিন্তু তাৰ দ্বাৰা জনসাধাৰণৰ যিখিনি যাৱতীয় সমল, সেই খিনি যোগান ধৰা হৈছে নে নাই সেইটো আমি ভাবি চোৱা নাই। গতিকে এই ক্ষেত্ৰত মই আৰু এটা কথা উনুকিয়াব বিচাৰিছো। ১৯৬৩ চনৰ পৰাই বড়ো ভাষাক ৰাজ্য চৰকাৰে স্বীকৃতি দি আহিছে। বড়ো ভাষাৰ শিক্ষাৰ ব্যৱস্থা কৰিছে, কিন্তু অতি দুখৰ কথা ১৯৬৩ চনৰ পৰা আজিলৈকে কম সংখ্যক শিক্ষকহে নিযুক্তি দিছে। যিসকলে বড়ো ভাষাত শিক্ষা লাভ কৰা ছাত্ৰই আজি মাধ্যমিক পৰ্য্যায়ত সেই শিক্ষা লাভ কৰিব পৰা নাই। মাধ্যমিক পৰ্য্যায়ত বড়ো ভাষা শিক্ষাৰ বাবে কোনো ব্যৱস্থা চৰকাৰে কৰা নাই। তাৰোপৰি স্কুল পৰিদৰ্শনৰ বাবে এচ, আই আৰু এ, এচ, আই যিখিনি আৱশ্যক সেইখিনি জন-জাতিৰ লোকৰ মাজত কাকো দিয়া নাই। যাৰ ফলত আজি জনজাতিৰ লোকে আন্দোলনমুখী হবলৈ বাধ্য হৈছে। সেইটো মই নীতিগত ভাবে সমৰ্থন কৰা নাই যদিও আমাৰ মাজত বুজাবুজিৰ মাজেদি যি ব্যৱস্থা কৰিব বিচাৰিছো সেইটোত আমি অকৃতকাৰ্য্য হৈছো। এই ক্ষেত্ৰত আৰু এটা কথা কব পাৰি যে

আমাৰ চৰকাৰৰ যিসকল ববমূৰীয়া আছে তেখেতসকলে আশ্বাস দিছিল যে জন-জাতিয়েই হওক বা অনুসূচীত জাতিয়েই হওক তেখেতসকলৰ দ্ৰুত উন্নয়নৰ কাৰণে ডেভেলপমেণ্ট কোৰ্পৰেচনৰ জৰিয়তে সমাধা কৰিবলৈ ব্যৱস্থা কৰা হৈছে। কিন্তু আজি শাসনত অধিস্থিত হোৱা ছুবছৰ পাৰ হৈ তিনি বছৰত ভৰি দিছে—তাৰ কোনো আশানুৰূপ ফল আমি দেখিবলৈ পোৱা নাই। যাৰ ফলত আমি আমাৰ ভিতৰতেই আশ্বাস হেৰুৱাব লগা হৈছে। যি জনসাধাৰণক আমি প্ৰতিশ্ৰুতি দি আহিছো আমি দেশৰ কাৰণে কাম কৰিম বুলি, কিন্তু আমি কিমানখিনি কাম কৰিব পাৰিছো সেইটো মই কব নোৱাৰো। আমাৰ মাননীয় সদস্যসকলে তেখেতসকলৰ সমষ্টিত যদি কিবা কৰিব পাৰিছে—সেইটো মই নাজানো, কিন্তু মোৰ সমষ্টিত হলে মই একো কামকেই কৰিব পৰা নাই। কি জলসিঞ্চন, কি কৃষি একোতেই কাম হোৱা নাই। এই বিষয়ে মই কৃষিমন্ত্ৰী দেৱক নি দেখুৱাইছিলো, কিন্তু আজিলৈকে একো কাম নহ'ল।

তাৰ পাছত আৰু এটা কথা কব বিচাৰিছো যে মোৰ সমষ্টিত ১৯৩৬ চনৰ পৰা ১৯৪৭ চনলৈকে জনজাতিৰ ৰাইজে গেৰুৱা বিৰ্জাভৈত একচনা পট্টা পাইছিল, কিন্তু তাৰ পাছত সেই মাটিবিলাকত আকৌ তৌজীভূক্ত খাজনা দিব লগা হ'ল—ফলত আজিলৈকে চৰকাৰে কাকো সংস্থাপন দিব পৰা নহল আৰু সেই ঠাইবিলাক এতিয়া মিলিটেৰীয়ে দখল কৰি ললে আৰু সেই অঞ্চলৰ ৰাইজে মিনমাং, বগাজুলী আদি ঠাইলৈ উঠি যাব লগা হ'ল। গতিকে য'ত আজি জনজাতিৰ ৰাইজ আছে তাত আজিলৈকে সংস্থাপনৰ কোনো ব্যৱস্থা নহ'ল।

এতিয়া খবৰ পাইছো যে চৰকাৰে লেণ্ড ইউজ অথৰিটি কমিটী গঠন কৰিছে। মই জানো এইটোৰ দ্বাৰা আমাৰ জনজাতিৰ লোকৰ কোনো লাভ নহব। সেইকাৰণে গোটেই অসমতে ৰাজ্যিক পৰ্য্যায়ত ট্ৰাইবেল বেল্ট ও ব্লক লেণ্ড ইউজ অথৰিটি কমিটি গঠন কৰিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিলো। অসমত যিমান ট্ৰাইবেল বেল্ট বা ব্লক আছে সেইবিলাক অনুসন্ধান কৰি বন্দৱস্তিৰ ব্যৱস্থা কৰিব লাগে। অসমত ৩৩ টা ট্ৰাইবেল বেল্ট আছে আৰু তাত ১,০৯,৭৩,৬৭৩ বিঘা মাটি আছে। এই মাটিখিনি যদি পুংখনুপুংখ ভাবে পৰীক্ষা কৰিবলৈ যোৱা যায় তেতিয়াহলে দেখা যাব যে সেইবিলাকত কোনো জনজাতিৰ মানুহ নাই। তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰা হৈছে। সেইকাৰণে এই জনজাতিৰ লোকক সংৰক্ষণ কৰিবৰ বাবে ৰাজ্যিক পৰ্য্যায়ত এটা কমিটি গঠন কৰিব লাগে বুলি মই দাবী জনাইছো। তাৰ পাছত নিয়োগৰ ক্ষেত্ৰত মাত্ৰ

৪·৯ অংশৰহে ব্যৱস্থা কৰা হৈছে। গতিকে বাকী খিনি অতি সোনকালে পূৰণ কৰিব লাগে। আজি ৰাজ্যপালৰ ভাষণৰ আলোচনাৰ প্ৰসঙ্গত ভাষণ দিবলৈ পাই মই নিজকে ধন্য মানিছো। কিন্তু যিখিনি আমাৰ ৰাজ্যপাল ডাঙৰীয়াই সদনত বিশ্লেষণ কৰিছে তাৰ ভিতৰত যিখিনি কথা মই সদনত উল্লেখ কৰিলো সেইখিনিৰ বাহিৰে বাকীখিনি ক্ষেত্ৰত মই ৰাজ্যপালৰ ভাষণটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Mr. Deputy Speaker—The House stands adjourned till 2-30 P. M.

The Assembly reassembled at 2/30 p. m.

শ্ৰীজানকী নাথ সন্দিকৈ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ আলোচনাৰ ওপৰত অংশ গ্ৰহণ কৰি ৰাজ্যখনৰ দুই এটা কথা কবলৈ আগবাঢ়িছো। বিশেষকৈ আমাৰ উজনি অসমৰ শিৱসাগৰ, লক্ষীমপুৰ আৰু ডিব্ৰুগড় এই ৩ খন জিলাত প্ৰাকৃতিক ঐছৰ্য্য সম্পদ যিমান আছে সেই ঐছৰ্য্য সম্পদ থকা অঞ্চলটোত আজি উন্নয়নমূলক কাম বা কল্যানমূলক কাম বৰ কম হৈছে বা হোৱা নাই বুলি বহুত ক্ষেত্ৰত কব পাৰি। এই অঞ্চলখিনি হ'ল তেলৰ ওপৰত উপভি থকা অঞ্চল। ভাৰতবৰ্ষৰ ভিতৰতে এই অঞ্চলটো পিচ-পৰা অঞ্চল য'ত নানা ৰকমৰ অন্যান্য পিচপৰা সম্প্ৰদায়ৰ মানুহৰ বসতি আছে এই অঞ্চলটোৰ সম্পদৰাজী লৈ আমাৰ ভাৰত চৰকাৰে যিমান উপাৰ্জন কৰিছে তাৰ তুলনাত সেই অঞ্চলৰ উন্নয়নৰ কাৰণে খৰচ কৰাৰ পৰিমাণ কম। গতিকে আমি দাবী কৰো যাতে অসম চৰকাৰে এই অঞ্চলৰ সম্পদ আৰু উপাৰ্জন দৰ্শাই এখন সুকীয়া বাজেট ৰচনা কৰে যেন। এই অঞ্চলৰ বাইজে এই দাবী বহুতদিনৰ পৰা কৰি আহিছে। আমি আশা কৰিছো আমাৰ জনপ্ৰিয় চৰকাৰে এই জিলা কেইখনৰ কাৰণে এখন সুকীয়া বাজেট ৰচনা কৰিব। এই অঞ্চলটো তেলৰ ওপৰত উপাঁড আছে। ইয়াৰ পৰা তেল নি ভাৰত চৰকাৰে অন্যান্য অঞ্চলত শোধনাগাৰ পাতিছে আৰু সেই তেলৰ কৰখিনি অন্য ৰাজ্য যেনে বিহাৰে পাইছে। আমাৰ ৰাজ্যৰ কৰকাটল অন্য ৰাজ্যই উপভোগ কৰিছে। গতিকে মই চৰকাৰক দাবী জনাও যে শিৱসাগৰ, ৰুদ্ৰসাগৰ, গেলেকী আৰু মৰান অঞ্চলত যি প্ৰচুৰ পৰিমানৰ তেল উংপাদন হয় সেই হিচাবে তাত এটা শোধানাগাৰ হব লাগে। এই সম্পৰ্কে ৰুচৰ এজন টেকনিচিয়ান, তেল সম্পৰ্কীয় জ্ঞান থকা লোক আহোতে মত পোষণ কৰি গৈছে যে তেল

উৎপাদন হোৱা ঠাইতে শোধানাগাৰ হলে ভাল হয়। গতিকে এই পৰামৰ্শ কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে মই ৰাজ্য চৰকাৰক অনুৰোধ কৰিছো।

এই অঞ্চলত বহুত ঐশ্বৰ্য্য বিভূতি আছে যিবিলাক বস্তু সাধাৰনতে ভাৰতবৰ্ষৰ অন্য অঞ্চলত নাই। কিন্তু আমি লক্ষ্য কৰা নাই। এই অঞ্চলৰ প্লাইউদ কাঠ অন্য অঞ্চলত নি ভাল ভাল প্লাইউদ কৰে। এই অঞ্চলৰ শাল আদি মূল্যবান কাঠ, ধাতু অন্য পদাৰ্থৰ সলনি কৰি ব্যৱহাৰ কৰিব পাৰি। কিন্তু আজি পৰ্য্যন্ত এই প্লাইউদ বাকচ অন্য ধাতু বা ফাইবাৰ আদিৰে বদলি কৰিব পৰা নাই। এই অঞ্চলৰ পৰা যিবিলাক কাঠ প্লাইউদৰ কাৰণে নিয়ে সেই বিলাকৰ কিছুমান আমাৰ স্থানীয় কাৰখানাতে ফিনিচ প্ৰদাক্ট কৰে কিন্তু কলিকতাৰ এজেঞ্চি হাউচৰ জৰিয়তে হোৱাৰ কাৰণে অসম চৰকাৰে বিক্ৰী কৰ আদায় কৰিব পৰা নাই।

ইয়াৰ পিচত অসমত ৩ খন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছে। আৰু কামো চলি আছে কিন্তু সকলোৰে কাৰণে এখনেই মাধ্যমিক বোৰ্ড আৰু সেইখনো গুৱাহাটীত প্ৰতিষ্ঠিত। ফলত সিমুৰৰ ছাত্ৰ-ছাত্ৰী তথা অভিভবাক সকলে নানা আহুকাল ভোগ কৰিবলগীয়া হৈছে। গতিকে উজনি অসমত আন এখন মাধ্যমিক বোৰ্ড হবলৈ দাবী কৰিলো। আমাৰ গোটেই ৰাজ্যতে মাত্ৰ গুৱাহাটীতে উচ্চ ন্যায়ালয় আছে। ফলত ইটোমুৰৰ ৰাইজে মেল-মোকৰ্দমাৰ কাৰণে কষ্টভোগ কৰিবলগীয়া হৈছে। গতিকে ডিব্ৰুগড়ত হাইকোৰ্টৰ বেঞ্চ এখন দিব লাগে বুলি অসম আইন সন্থাই দাবী কৰি আহিছে। ময়ো চৰকাৰক এই ক্ষেত্ৰত বিশেষ অনুৰোধ কৰিলো।

আমাৰ অন্যান্য পিচপৰা জাতি বিলাকৰ এখন সন্মিলন যোৱা বাৰ ডিব্ৰুগড়ত হৈছিল। তাত বহুখিনি কথাই আলোচনা বিলোচনা হৈছিল। কিন্তু মই দেখাত আজি পৰ্য্যন্ত চৰকাৰে এই জাতি সমূহৰ আশা আকাংশাত মুখেৰেহে সন্মতি জনাই আহিছে তাত আন্তৰিকতা আছে বুলি ৰাইজৰ সন্দেহ। এই পূৰ্ব্বাঞ্চলৰ সৰু সুৰা ৰাজ্য বোৰক লৈ নৰ্থ ইষ্টাৰ্ণ কাউন্সিল গঠন কৰা হৈছে। তাৰ কাৰ্য্যও আৰম্ভ হৈছে। ৰাইজে তাক সমৰ্থনো কৰিছে। ইয়াৰ ফলত আৰ্থিক আৰু উন্নয়নৰ বৈষম্য দূৰ হব বুলি ৰাইজে বাঞ্চা কৰে। পঞ্চায়ত আৰু কো-অপাৰেটিভৰ সমন্ধে ৰাইজে অন্য এটা ধাৰণা লবৰ উপক্ৰম হৈছে। গতিকে চৰকাৰে আগতেই সহজ সৰল পথ গ্ৰহণ কৰিব বুলি আশা কৰো। যদিহে এই ক্ষেত্ৰত শক্তিশালী ৰাজনৈতিক দলে হস্তক্ষেপ কৰে, তেতি-

য়াহলে এই ৰাজহুৱা অনুষ্ঠান সমূহৰ প্ৰতি ৰাইজৰ আস্থা কমি যাব । ফলত আমাৰ আগতে যিবিলাক অনুষ্ঠানৰ প্ৰতি ৰাইজৰ সহানুভূতি আছিল সেই বোৰএতিয়া অকৃতকাৰ্য্যত পৰিণত হোৱাৰ উপপম হৈছে । সেই দৰে এই বিলাকোআকৃত কাৰ্য্যত পৰিণত হ্ব । এইবাৰ ৰাজ্যপালৰ ভাষণত ২টা কথা ভালকৈ দেখিছো । এটা হৈছে দূৰ্নীতি, আনটো হৈছে কোকৰাঝাৰ আৰু মঙ্গলদৈত হোৱা অশান্তি, আমাৰ এটা কথা আছে, মানুহৰ অভাৱেই স্বভাব নষ্ট কৰে। কিন্তু বৰ্তমান দি দেখিছো স্বভাৱ নষ্ট হোৱাৰ হেতুকেহে অভাৱ হৈছে । দূৰ্নীতিৰ কথা উল্লেখ কৰি আমাৰ মাননীয় সদস্য বহুতেই বহুতো কথা কৈছে । তাৰ ভিতৰত এগৰাকী সদস্যই কৈছে যে চকীদাৰ চাপ্ৰাচীৰ পৰা ৰাষ্ট্ৰপতিলৈকে সকলোৱেই এই শাসন যন্ত্ৰৰ এটা অংশ । এই অংশ বিলাকৰ ভিতৰত যদি অতি উচ্চতম বিষয়া আৰু অতি উচ্চতম অধ্যক্ষ সকল আৰু বিভাগীয় জেনেৰেল মেনেজাৰো এনে কামত লিপ্ত থকা দেখা যায় । তেনেহলে দেশৰ গণতন্ত্ৰ কিমান ভাল হব পাৰে তাক সকলোৱে অনুমান কৰিব পাৰে । কাৰণ এইয়েই হৈছে শাসন নীতিৰ প্ৰথম কথা । আমাৰ চৰকাৰে কব পাৰে যে সকলোৱে সকলোৰে দায়িত্ব ভালকৈয়ে পালন কৰিছে । আৰু সকলো নীতি পালন কৰা ভাওঁ দেখুৱাহে হয় তেন্তে এইটো এটা দেশৰ অৱনতিৰহে চিন । কোকৰাঝাৰ আৰু মঙ্গলদৈৰ ক্ষেত্ৰত সঁচাকৈয়ে এটা দুখলগা কথা । কাৰণ সংবিধানৰ নীতি-বদ্ধ অনুযায়ী কোনো এটা জাতি উপজাতিৰ আশা আকাংখা পূৰণ চেষ্টা হয়, সেইটো ৰাজনৈতিক সমালোচনাৰ দ্বাৰা সমাধা নকৰি ভয় দেখুৱাই দমন কৰিব পৰা নহব । সেইদিনা সাহিত্য সভাত সভাপতি ডাঙৰীয়াই কৈছিল নহৰু বাকলি এখন এখনকৈ একৱালে তাৰ আৰু কোহ নাথাকে, এৰাই যায় । এইটো বিষয় সাহিত্য সভাৰে বিষয় নহয় আমাৰ ৰাজনীতিজ্ঞ সকলোৰে সমস্যা সমাধান কৰাত তেখেত সকলে হাত দিব লাগে । আজি যিবিলাক সমস্যাই দেশ খনত দেখা দিছে সেই বোৰ চৰকাৰৰ উদাসীন নীতিৰ কাৰণে হৈছে । কি সমস্যা কেতিয়া কেনেকৈ সমাধান কৰিব লাগে সেই দৰে কৰিব নোৱাৰাত আমাৰ ৰাইজে সচাকৈয়ে অসন্তোষ প্ৰকাশ কৰিছে আৰু পিচপৰা জাতি উপ-জাতি সমূহে উজনি অসমত এখন সুকীয়া ৰাজ্যৰ দাবী জনাই আহিছে । এই পৰিপ্ৰেক্ষিতত মই আমাৰ শাসনাধিস্থ দলৰ নেতা সিংহ দেৱক এই সীমা-মূৰীয়া অঞ্চলটোত যাতে দাবী সমূহৰ কোনো খেলি মেলিৰ সৃষ্টি নহয় তালৈ লক্ষ্য ৰাখিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

ডঃ ভূমিধৰ বৰ্মন—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য পণ্ডিত ডাঙৰীয়াই অনা ধন্যবাদৰ প্ৰস্তাৱটো মই সমৰ্থন জনাই দুআষাৰ কবলৈ আগবাঢ়িছো। আন বাৰৰ দৰে এইবাৰো ৰাজ্যপাল ডাঙৰীয়াই ভাষণ দিছে। এইগৰাকী ৰাজ্যপালকে আমি অহা বিধান সভাত আমাৰ মাজত কেৱল আমাৰ হিচাবেই পাবলৈ আশা ৰাখিছো। অৰ্থাৎ আমাৰ মাননীয় সদস্য সকলে ইচ্ছা প্ৰকাশ কৰিছে যে, আমাক এজন সুকীয়া ৰাজ্যপাল লাগে। অসম এখন নানা সমস্যাৰে জৰ্জৰিত আৰু পিচপৰি থকা ৰাজ্য। সেই কাৰণে এই দাবী আমি সকলোৱে সমৰ্থন কৰিব লাগিব। এই ৰাজ্যপালৰ ভাষণত চৰকাৰে কি কি কাম কৰিছে তাৰ এটা আভাষ পাইছো আৰু কি কি কৰিব তাৰ এটা ইঙ্গিত দিছে। এই ক্ষেত্ৰত আমি স্বীকাৰ কৰিব লাগিব, বৰ্ত্তমান চৰকাৰে ভাল ভাল কামেই কৰিছে। এই ৰাজ্যপালৰ ভাষণত কি কি কাম কৰিছে তাৰ এটা আভাষ দিছে আৰু কি কি কাম কৰিব তাৰো এটা ইঙ্গিত দিছে। এই ক্ষেত্ৰত আমি এইটো স্বীকাৰ কৰিব লাগিব যে বৰ্ত্তমান চৰকাৰে কিছুমান ভাল ভাল কাম কৰিছে। এই ভাল কাম কেইটাৰ ভিতৰত এটা উল্লেখযোগ্য কাম হৈছে ৰাজধানী স্থানান্তৰ। অৰ্থাৎ জনসাধাৰণৰ ওচৰলৈ শাসন যন্ত্ৰটো অনাৰ যিটো ব্যৱস্থা কৰিছো তাৰ কাৰণে সঁচাকৈ আমি ভাল পাইছো। এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে স্থায়ী ৰাজধানীৰ কথা ততাতৈয়াকৈ নাভাবি বৰ্ত্তমান য'ত ৰাজধানী হৈছে তাতে ৰাখিব লাগে আৰু তাৰ পিচত সম্পূৰ্ণকৈ ভাবি চিন্তি যদি প্ৰয়োজন হয় তেতিয়াহলে এই কাম কৰিব লাগে কাৰণ দিচপুৰত ৰাজধানী থকাৰ কাৰণে অসমৰ প্ৰায় বিলাক লোকেই সুবিধা পাইছে।

ইয়াৰ পিচত মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো সেইটো হৈছে আমাৰ চৰকাৰৰ দুৰ্নীতি নিবাৰণৰ প্ৰচেষ্টা দুৰ্নীতি নিবাৰণৰ সম্পৰ্কত কি কি কৰিছে সেই কথা ৰাজ্যপালৰ ভাষণতো উল্লেখ কৰিছে। আজি জনসাধাৰণে এটা কথা স্বীকাৰ কৰিছে যে আজি ৰাজধানী স্থানান্তৰ কামৰ লগে লগে আৰু এটা ভাল কাম হৈছে সেইটো হৈছে চৰকাৰৰ দুৰ্নীতি নিবাৰণ কৰিবলৈ কৰা প্ৰচেষ্টা। আমাৰ আমাৰ শাসন যন্ত্ৰটো নিকা কৰিবলৈ হলে দুৰ্নীতি নিবাৰণ কৰিব লাগিব। আৰু লগতে চৰকাৰী কৰ্মচাৰী সকলৰ এফিচিয়েন্সি বঢ়াব লাগিব। মই চৰকাৰক এইটো কথা অনুৰোধ কৰিব বিচাৰিছো যে যেনেকৈ দুৰ্নীতি নিবাৰণৰ কাৰণে এটা চেল কৰি ধৰাৰ ব্যৱস্থা কৰিছে তেখেতৰ তলতে যি সকল কৰ্ম-

চাৰীয়ে এফিচিয়েন্সি দেখুৱাব পাৰে সেইটো ধৰাৰ কাৰণে এটা ব্যৱস্থা কৰি যি সকলে এফিচিয়েন্সি দেখুৱাব পাৰে তেওঁলোকক প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰিব পাৰিলে আমাৰ কৰ্মচাৰী সকলে ভালদৰে কাম কৰিব। এতিয়া দেখা গৈছে আমাৰ অফিচ বিলাকত কিছুমান মানুহে খাটি খাটি ভাল কাম কৰিছে আৰু কিছুমান কৰ্মচাৰীয়ে কেৱল মাত্ৰ কলমটো পিহি সময় কটাইছে। এইদৰে ভাল কাম কৰাৰ কাৰণে প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে সকলোৱেই ভাল কাম কৰিবলৈ চেষ্টা কৰিব। এতিয়াৰ দৰে চিনিয়-ৰিটি বেচিচত প্ৰমোচন দি থাকিলে এক শ্ৰেণী কৰ্মচাৰীয়ে কলম ঘঁহি ঘঁহি-য়েই প্ৰমোচন লৈ থাকিব আৰু যি সকলে ভাল কাম কৰে তেখেত সকল তলতে পৰি থাকিব। পিচত ভাল কাম কৰা সকলেও ভাল কাম নকৰা হব।

বানপানী নিয়ন্ত্ৰণৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। ইয়াত এটা কথা উল্লেখ কৰিছে সেইটো হৈছে পাগলাদিয়াৰ ডিটেনচন মঞ্জুৰ কৰিছে। পাগলা-দিয়াৰ ডিটেনচনটো ডাঙৰ কথা। এইটো কথা কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীফখৰুদ্দিন চাহাব এই বিভাগত থাকোতেও কৈছিল কিন্তু তাৰ হলে কাম একো কৰা নহ'ল। গতিকে মই আশা ৰাখিছো যে অহা বছৰলৈ যেতিয়া এইদৰে ৰাজ্য-পালে ভাষণ দিব তেতিয়া এই পাগলাদিয়া ডিটেনচনৰ ইমান ইমান কাম হ'ল বুলি কোৱা শুনিবলৈ পাওঁ।

ভূমি সংস্কাৰৰ ক্ষেত্ৰত এইটো নিশ্চয় সকলোৱেই স্বীকাৰ কৰে যে—আৰু ভাৰতবৰ্ষয়ো স্বীকাৰ কৰিছে যে ভূমি সংস্কাৰৰ ক্ষেত্ৰত অসমে বিশেষ বৰঙণি যোগাইছে। এই ক্ষেত্ৰত ৰায়তি স্বত্ব আইনৰ কথা সকলোৱেই জানে। এই আইনৰ দ্বাৰা আমাৰ ভূমিহীন মানুহৰ বহুত উপকাৰ হৈছে। আৰু দুখীয়া মানুহ বিলাকৰ উপকাৰ হৈছে। মই এই ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে ভূমি সংস্কাৰৰ ক্ষেত্ৰত যি ব্যৱস্থা কৰিছে এইটো ভাল কথা কিন্তু আৰু যদি উত্তম কৰিব বিচাৰে তেন্তে সকলো ভূমি ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব। ভূমি ৰাষ্ট্ৰীয়কৰণ কৰিব নোৱাৰিলে আমাৰ ভূমি সমস্যাৰ কেতিয়াও সমাধান নহব। এজন খেতিয়কে মাটি পালেও তেওঁৰ ল'ৰা যেতিয়া বেলেগ হৈ যাব তেতিয়া গন্দগোল হব। গতিকে মই আশা কৰো যে এই আইন কাৰ্য্যকৰী কৰাৰ লগতে আমি এইটো কথাও চিন্তা কৰিব লাগিব যে আমাৰ আটাইবিলাক মাটি ৰাষ্ট্ৰীয়কৰণ কৰো তেনেহলে আমাৰ যথেষ্ট সংখ্যক দুখীয়া খেতিয়কে মাটি পাব। এইটো কৰিব পাৰিলে নিশ্চয় ৰাইজৰ উপকাৰ হব বুলি মই ভাবো।

ইয়াৰ উপৰিও ৰাজ্যপালৰ ভাষণত উদ্যোগৰ কথা উল্লেখ কৰিছে। এই বিলাক হৈছে ইনড্ৰাষ্ট্ৰিয়েল ষ্টেটৰ কথা। এইখিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে আমাৰ যি বিলাক ইনড্ৰাষ্ট্ৰিয়েল ষ্টেটে ভাল কাম দেখুৱাব পৰা নাই, মই আশা কৰিছো আৰু উদ্যোগ মন্ত্ৰীক অনুৰোধ জনাইছো এই বিলাকৰ কাৰণে ভাল ব্যৱস্থা লয় আৰু প্ৰকৃততে ৰাইজৰ উপকাৰত আহে। তেনে ব্যৱস্থা হাতত লব লাগে।

নিয়োগৰ আঁচনিৰ ক্ষেত্ৰত এটা কথা স্বীকাৰ কৰিব লাগিব যে এতিয়া অসমৰ শ্ৰমজীৱি সকলে কাম পাইছে। মাত্ৰ আমাৰ যি সকল শিক্ষিত আছে সেই সকলে বিচৰা মতে কাম দিব পৰা নাই। এই ক্ষেত্ৰত আমি আশা ৰাখিছো আমাৰ যিটো হাফ এ মিলিয়ন জব আঁচনি আৰু যি বিলাক এই সম্পৰ্কৰ অন্যান্য আঁচনি চৰকাৰে লব বিচাৰিছে সেই বিলাকৰ দ্বাৰা কাম হব বুলি আমি আশা ৰাখিছো। এই ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যে আমাৰ যিটো হাফ এ মিলিয়ন জবৰ কথা কৈছে তাৰ দ্বাৰা তেওঁলোকক অটোৰিক্সা, টেক্সি আদিৰ সুবিধা কৰি দিব। কিন্তু এই বিলাক লবলৈ যাওঁতে যিটো লাইচেন্সৰ কথা আছে সেই ক্ষেত্ৰত আমাৰ যি সকল গাঁৱৰ দুখীয়া যুবক তেওঁলোকৰ কাৰণে কিছুমান অসুবিধা আছে। তেওঁলোকে আনত কাম কৰি লাইচেন্স আনিব নোৱাৰে। তেওঁলোকৰ কাৰণে এটা বিশেষ ট্ৰেইনিঙৰ ব্যৱস্থা কৰি লাইচেন্স দিবলৈ মই পৰিবহন মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো।

ইয়াৰ উপৰিও মই স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাৰ বিষয়ে কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত এটা কথা কৈছে যে মেলেৰীয়া নিৰ্মূল কৰা হৈছে বুলি কোৱা হৈছে। এই কথাটোতে আমি সন্তুষ্ট থাকিব নালাগিব। যিটো মেলেৰীয়া হাইলাকান্দিত হৈছিল, তেতিয়া তাৰ লগে লগে ডাক্তৰ পঠোৱা হ'ল আৰু তাৰ কাৰণে মেলেৰীয়া নিবাৰণ কৰা হ'ল যদিও মেলেৰীয়া নিৰ্মূল কৰা হোৱা নাই। এই কথা ডাক্তৰ সকলে আৰু বিশেষজ্ঞ সকলে জানে। এতিয়া নিৰ্মূল কৰিবলৈ চেষ্টা কৰিব লাগে। কাৰণ ইয়াৰ বহুতো কেৰিয়াৰ ৰৈ গৈছে। আৰু তাৰ ফলতে পুনৰ মেলেৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি নলবাৰী অঞ্চলত মেলেৰীয়া দিনে দিনে ইমান বাঢ়িছে যে আকৌ ভয় হৈছে যেন আগৰ অৱস্থাই পুনৰ ঘূৰি আহিব।

ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত জক্ষ্মাৰোগ আৰু কেন্সাৰ ৰোগ সম্বন্ধে কোনো উল্লেখ আমি নাপালো। টি বি আৰু কেনচাৰ এই দুটা বেমাৰ

অসমত দিনে দিনে বাঢ়ি আহিব ধৰিছে. গতিকে টি, বি প্ৰতিশেষক ব্যৱস্থা ভাল হব লাগে। চিকিৎসাৰ উপৰিও প্ৰত্যেক মহকুমাতে একোটা টি, বি হস্পিতাল পাতি তাত বিচনা ৰখাৰ ব্যৱস্থা কৰিব লাগে যাতে তাত অপেন ৰোগী থাকিবৰ ব্যৱস্থা থাকে । নহলে এজনৰ পৰা আন এজনৰ গাৰৈ সেই ৰোগ বিয়পিব পাৰে । গতিকে মই চৰকাৰক অনুৰোধ জনাওঁ যাতে চৰকাৰে প্ৰতি মহকুমাতে এনে ধৰণৰ একোখন হস্পিতাল পাতি তাত সকলোবিলাক সুবিধা দিয়ে লগতে এইটোও কওঁ যে কেন্সাৰৰ ক্ষেত্ৰত গুৱাহাটীত আৰু ডিব্ৰুগড়ত অৱশ্যে এই ৰোগৰ চিকিৎসা আছে, যদিও কোবাল্ট থেৰাপি ইউনিট ডিব্ৰুগড়ত হে হৈছে কিন্তু গুৱাহাটীটো এই ব্যৱস্থা প্ৰবৰ্তিত হব লাগে। লগতে আমাৰ যিখন বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউট আৰম্ভ হৈছে সেইখনত সকলো ধৰণৰ সা-সুবিধা দি পূৰ্বাঞ্চলৰ আটাইতকৈ এখন ডাঙৰ আৰু ভাল হস্পিতাললৈ ৰূপান্তৰিত কৰিব লাগে।

ফেমিলি প্লেনিঙৰ ক্ষেত্ৰত মই অলপমান কব বিচাৰিছো । আমি সুখী হৈছো যে গাওঁ-ভূই আদিটো চৰকাৰে এই ব্যৱস্থা বিয়পাই পেলাইছে আৰু ঠায়ে ঠায়ে চাব চেণ্টাৰ পাতি দিছে। ফেমিলি প্লেনিংৰ লগতে যেন সাধাৰণ চিকিৎসাৰ ব্যৱস্থাও থাকে এই বিষয়ে যেন চৰকাৰে চিন্তা কৰে। হাৰিয়ানাতো এনে ব্যৱস্থা চৰকাৰে কৰিছে। এনে ধৰণৰ ব্যৱস্থা হলে হস্পিতাল লাগে, হস্পিতাল লাগে বুলি কৰা দাবীৰ বহুখিনি লাঘব হব।

ইয়াৰ পিছত মই মূল্য বৃদ্ধি সম্পৰ্কে দুআষাৰমান কওঁ। আজি সাত বছৰৰ অভিজ্ঞতাৰে কওঁ যে অসমত বস্তুৰ দাম দিনে দিনে বাঢ়ি গৈছে, ইয়াৰ প্ৰধান কাৰণ ট্ৰেন্সপ'ৰটেচন বুলি কোৱা হয়। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে ভালকৈ বুজাই কব লাগে। এইখন এখন ওৱেল ফেয়াৰ চৰকাৰ। এই চৰকাৰৰ দিনত ট্ৰেন্সপ'টৰ অসুবিধা হোৱাটো বৰ দুখৰ কথা। ৰাজ্যপাল মহোদয়ে অনুন্নত শ্ৰেণীৰ কল্যাণ সম্বন্ধে কৈছে। মই সুখী হৈছো যে বৰ্ত্তমান চৰকাৰে পিচপৰা অঞ্চলৰ পিচপৰা শ্ৰেণীৰ উন্নতিৰ কাৰণে যথেষ্ট কৰিছে। এই বিলাক অঞ্চলৰ কাৰণে যি ধন ব্যয় কৰা হৈছে সেই ধনৰ যাতে সৎব্যৱহাৰ হয় তাৰ প্ৰতি চৰকাৰে চোকা নজৰ যেন ৰাখে। ইয়াৰ উপৰিও আন এটা কথা মই কব বিচাৰিছো, সেইটো হৈছে আৰবান প্ৰপাৰটি চিলিং এক্ট। আমি যেতিয়া বোম্বাই কংগ্ৰেছলৈ গৈছিলো তেতিয়া বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে দিল্লীত এই প্ৰস্তাৱটো আনিছিল আৰু লাখ লাখ জনতাই তাক

সমৰ্থন কৰিছিল । কিন্তু প্ৰকৃতপক্ষে কাৰ্য্যক্ষেত্ৰত এই কাম হৈ উঠা দেখা নাই । এইটো ১৯৬৯ চনৰ কথা, আজি ১৯৭৪ চন পালেহি কিন্তু এই ক্ষেত্ৰত চৰকাৰ বিশেষ আগবাঢ়িব পৰা নাই । মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত এই বিষয়ে মই অনুৰোধ জনাইছো যেন এই বিষয়ত তেখেতে চোকা নজৰ ৰাখে । ইয়াকে কৈ মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱটোৰ সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো ।

শ্ৰীগোবিন্দ বৰা—মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাৱটোৰ সমৰ্থন জনাই দুআষাৰ কথা কব বিচাৰিছো । ৰাজ্যপালৰ ভাষণত দেশখন উন্নতিশীল কৰিবৰ কাৰণে চৰকাৰে যি আঁচনি লৈছে তাৰ কথা উল্লেখ কৰিছে । আমাৰ দেশখন যে এনে সমস্যাপূৰ্ণ দেশ এই কথা আমি সকলোৱে জানো । এইখন দেশত নতুন নতুন সমস্যা দিনে দিনে বাঢ়ি গৈছে । ইয়াৰ উপসমৰ কাৰণে চৰকাৰে যিবিলাক ব্যৱস্থা লৈছে সেইবিলাকত চৰকাৰে ক্ষিপ্ৰতাৰে আগবাঢ়ি যাব লাগে । আজি আমাৰ দেশৰ শতকৰা ৭২ জন মানুহ দৰিদ্ৰ সীমা ৰেখাৰ তলত । যিখন দেশত ইমান দুখীয়া মানুহ থাকিব পাৰে সেইখন দেশে কেনেকৈ উন্নতিসাধন কৰিব পাৰে ? খেতিয়ক সকলে কি কি বস্তু উৎপাদন কৰে আৰু সেই বস্তুৰ দাম তেওঁলোকে উচিত ভাবে পাইনে নাপায় সেই কথাৰ প্ৰতি চৰকাৰে যদি দৃষ্টি ৰাখে আৰু খেতিয়কক তেওঁলোকৰ উৎপাদিত বস্তুৰ উচিত মূল্য দিয়াৰ ব্যৱস্থা যদি চৰকাৰে কৰে তেন্তে ইয়াৰো দৰিদ্ৰতা হয়তো কিছু কমিব ।

বানপানীৰ লগত আমাৰ সহৱস্থান হয় বুলি কোৱা হয় । আজি আমাৰ দেশত বানপানী নোহোৱাৰ ব্যৱস্থা কৰিব পৰা নাই অথচ তাৰ বাবেই লাখ লাখ টকা খৰচ কৰা হৈছে । ফলত ৰাইজৰ অৱস্থা ভাল নহল, ৰাইজে বানপানী গৰাহৰ পৰা হাত সাৰিব নোৱাৰিলে, অৱস্থা ভাল হ'ল ই এণ্ড ডি বিভাগৰ মানুহৰ হে । দুৰ্নীতি নিবাৰণৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে, কিন্তু দুৰ্নীতি ধৰা পেলাব পৰা নাই। মই আশাকৰো আমাৰ কৰ্মচাৰী সকলে চৰকাৰৰ লগত সহযোগ কৰি কাম কৰিলে এই দুৰ্নীতি ধৰা পেলোৱাত সহায় হব । উত্তৰ লক্ষীমপুৰত বানপানী হয় । বানপানী ৰোধ কৰিবৰ কাৰণে মথাউৰি বন্ধা হৈছে আৰু তাত লাখ লাখ টকা খৰচ কৰা হৈছে, কিন্তু মথাউৰীৰ কাম হ'লে একো হোৱা নাই ।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ ভিতৰত টেণ্ডাৰ

কল কৰা হব আৰু ফেব্রুৱাৰী মাহৰ ভিতৰত কাম আৰম্ভ কৰা হব। কিন্তু এতিয়া দেখা গৈছে এপ্রিল মাহতহে কাম আৰম্ভ কৰা হব। এই সময়ত পানী আহিব আৰু যিখিনি কাম কৰা হ'ল সি অথলে যাব। এই বিষয়ত ব্যৱস্থা লবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিলো। আমি সকলোৱেই জানো আমাৰ দেশৰ ৰাইজৰ আৰ্থিক অৱস্থা অতিকৈ বেয়া। দুখীয়া খেতিয়কৰ অৱস্থা উন্নত কৰিবলৈ হলে মুগা, কপাহ আদি খেতিৰ প্রতি চৰকাৰে দৃষ্টি দিব লাগিব আৰু আমাৰ ৰাইজক চৰকাৰৰ তৰফৰ পৰা উৎসাহিত কৰিব লাগিব এই বস্তু বিলাক আমাৰ চৰকাৰে আহৰণ কৰিব পাৰিব। আমাৰ চৰকাৰে বেচা কিনা ব্যৱস্থা লোৱাত মই শলাগ লৈছো। আজি আঞ্চলিক বৈষম্য দূৰ কৰাৰ কথা কোৱা হয়। কিন্তু ইয়াক দূৰ কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে? লক্ষীমপুৰ জিলা ধান চাউলৰ ৰাহি অঞ্চল। ১৯৬৭ চনৰ অনাটনৰ সময়ত লক্ষীমপুৰৰ ধানচাউলৰ দ্বাৰা অভাব পূৰণ কৰিবলৈ সক্ষম হৈছিল।

তাৰ পিচত আমাৰ জিলা পৰ্য্যায়ত যি বিলাক অফিচ আছে তাত অফিচাৰ নাই, অফিচ ঘৰৰ অৱস্থা বেয়া। আজি ডি, আই, অফিচেই বোলক বা, ডি, চি, অফিচেই বোলক ক'তো কাম নহয়। ক-অপাৰেটিভ নাই, কাম কেনেকৈ চলে? ক'অপাৰেটিভৰ জৰিয়তে লক্ষীমপুৰত আটাইতকৈ বেচি ধান সংগ্রহ হৈছে। লক্ষ্যতকৈ বেচি সংগ্রহ কৰিবলৈ সক্ষম হৈছে। ৰাইজে হাজাৰে হাজাৰে ধান দিবলৈ আগবাঢ়ি আহিছে। কিন্তু তেওঁলোককো সহায় কৰিব লাগে। চৰকাৰে যি কৰিবলৈ কয় ৰাইজে তাকে কৰে। মই কব পাৰো অসমৰ নিচিনা চৰকাৰ মনা ৰাইজ কতো নাই। এই ৰাইজ সকলক সহায় সহযোগিতা কৰিব লাগে। উদ্যোগ অ'ত ত'ত হৈছে বুলি কোৱা হৈছে। মই কিন্তু কতো দেখা নাই। চৰকাৰৰ তৰফৰ পৰা যি কেইটা উদ্যোগ কৰা হৈছে সকলোতে লোকচান হৈছে। ডিৰেক্টৰ বিলাক হ'ল ৰিটায়াৰ্ড অফিচাৰ। তেওঁলোকে নিজৰ কথাটোহে চিন্তা কৰে। সৎ উদ্দেশ্যৰে কাম নকৰিলে আমাৰ ৰাইজৰ অৱস্থাৰ কেতিয়াও উন্নতি হব নোৱাৰে। আজি আমাৰ শিক্ষাৰ সমস্যাটো আটাইতকৈ ডাঙৰ সমস্যা। আমাৰ মানুহে খবৰ কাগজ পঢ়িব নাজানে। আমাৰ মাত্র শতকৰা ২৮ ভাগ মানুহ শিক্ষিত। এই মানুহ বিলাকক আগবঢ়াই আনিব নোৱাৰিলে আমাৰ দেশ উন্নত হব নোৱাৰে। শিক্ষাৰ শিতানত বহুত টকা ধৰিছে। লই চৰকাৰক অনুৰোধ

কৰো আৰু বেচি টকা ধৰি হলেও আমাৰ ৰাইজক শিক্ষাৰ ক্ষেত্ৰত আগ-বঢ়াই আনিব লাগে। আমাৰ কো-অপাৰেটিভ ৬৬০ খন হৈছে। তাত চেক্ৰে-টেৰী নিয়োগ কৰিব পৰা নাই। এই দৰে হলে কাম কেনেকৈ হব ? আমাৰ দেশ ভাল কৰাৰ কথা সকলোৱে চিন্তা কৰিব লাগে। ৰাজধানী ইয়ালৈ অহাত ভাল পাইছো। মই আশা ৰাখিছো যাতে আৰু আমাৰ মাজত বিভাজনৰ সৃষ্টি নহয় যেনেকৈ আজি মেঘালয়, মিজোৰাম আদি গ'ল। এই খিনি কথা চৰকাৰে ভালকৈ চিন্তা কৰক। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*ডাঃ কোমেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত অংশ গ্ৰহণ কৰি মই কব বিচাৰিছো যে এই ভাষণ গতানুগতিক প্ৰতিবেদন বা অসমৰ বিষয়ে এখন ভাল ৰচনা। এই ভাষণত অসমৰ প্ৰকৃত ৰূপটো প্ৰকাশিত হোৱা নাই বৰঞ্চ ৰাজ্যপালৰ ভাষণত অসমৰ প্ৰকৃত ছবিটো ঢাকিহে ৰাখিবলৈ চেষ্টা কৰা হৈছে। যদি এই ভাষণখন অসমৰ বাহিৰত থকা আন কোনোবাই পঢ়িছে তেনেহলে ভাষণৰ পৰা বুজিব অসম এখন সুজলা সুফলা শস্য শ্যামলা সকলোৱে নদন বদনহৈ থকা দেশ-য'ত মানুহ বিলাক বেচ সুখে শান্তিৰে বাস কৰিছে। অধ্যক্ষ মহোদয়, প্ৰকৃততে কথাটো সঁচা জানো ? ভাষণৰ আৰম্ভণিতে এটা কথা লিখা আছিল যে ৰাজধানী স্থানান্তৰ সংক্ৰান্তত ১৯৭২ চনৰ ২ অক্টোবৰ তাৰিখে দিশপুৰত আধাৰশিলা স্থাপন কৰা হয়। শিক্ষাৰ মাধ্যম সংক্ৰান্তত বাক বিতণ্ডা সৃষ্টি হোৱাৰ কাৰণে ৰাজধানী হোৱাত দেৰি হ'ল তাৰ বাবে আক্ষেপ কৰিছে। ১৯৭২ চনত বাক বিতন্দা হৈছিল নে ? সেই সময়ত বিৰাট অন্দোলন হৈছিল আৰু ১২-১৩ জন ল'ৰাই প্ৰাণ হেৰু-ৱাই শ্বহীদ হৈছিল। বিধান সভাত গ্ৰহণ কৰা প্ৰস্তাৱ পৰবৰ্তী অধিবেশনত উঠাই লবলৈ বাধ্য হৈছিল। যদি তাক বাক্‌বিতণ্ডাৰ আখ্যা দিয়ে তেনেহলে এই ভাষণ খনৰ ভিতৰত কিমান সত্যতা বা গধুৰতা আছে তাক ৰাইজে ভালকৈ বুজি পাইছে। অসম চৰকাৰে অসমৰ অস্থায়ী ৰাজধানী দিশপুৰ বুলি ২৬ তাৰিখে ঘোষণা কৰিছে। মই ধন্যবাদ এই কাৰণে দিছো যে অস্থায়ী ৰাজধানীখন অসমৰ বাহিৰত নাপাতি ভিতৰত পাতিবলৈ সক্ষম হ'ল। আজি ভূমি সংস্কাৰৰ কথা কোৱা হৈছে। এই কেই বছৰৰ ভিতৰত এজন খেতিয়কক একঠা মাটি দিছেনে ? তাৰ পৰিবৰ্তে হাজাৰ হাজাৰ কৃষকক নিৰ্মম ভাবে উচ্ছেদ কৰি জুৰুলা কৰিছে। দৈয়াং বনাঞ্চলত নৃসংশ ভাবে উচ্ছেদ

*Speech not corrected

কাৰ্য্য আৰম্ভ কৰিছে। নিজৰ চৰকাৰে নিজৰ মানুহৰ ওপৰত এনে ধৰণে অত্যাচাৰ কৰিব বুলি অসমৰ ৰাইজে ভাবিব পৰা নাছিল। সিদিনা গহপুৰ বনাঞ্চলত উচ্ছেদ কৰিছে। ঘৰ বিলাক জ্বলাই দিয়া হৈছে। এজনী ট্ৰাইবেল মহিলাৰ গাৰ কাপোৰ টানি জুইত জাপি দিছে। মানুহ গৰাকী অগ্নিত দগ্ধ হৈছে।

এনেকৈ বনাঞ্চলৰ পৰা মানুহক উচ্ছেদ কৰিবলৈ একোখন কাপোৰত ৫০০-৬০০ দামৰ ১৯ খন মিৰিজিম কাপোৰ জুইত পুৰি পেলাইছে। গতিকে ভূমি সংস্কাৰৰ নামত ৰাইজ অতিষ্ঠ হৈ গৈছে। অকল আমি বিধান সভাত আইন পাচ কৰিলেই ভূমি সংস্কাৰ কৰা নহয়। ৰাইজ অতিষ্ঠ হৈ পৰিছে। ইয়াৰ পৰিণাম এদিন ৰাইজে দিব। ইতিমধ্যে গুৱাহাটী পৌৰনিগমৰ নিৰ্বাচনত কিছু তাৰ আভাষ পাইছে।

বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কৈছে যে মহাবাহু ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰি। কিন্তু আমি দুখন ড্ৰেজাৰ অসমলৈ অহাত ভাবিছিলো যে কিবা এটা হব কিন্তু এতিয়া বুজিছো ই মাত্ৰ প্ৰলোভন। এই ড্ৰেজাৰৰ ড্ৰাইভাৰেই নাই আনকি ভাৰততে পোৱা নাযায়। গতিকে কি হব তাতেই বুজি পোৱা গৈছে। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে এই দুয়োখন ড্ৰেজাৰ বাৰিষা অহাৰ আগে আগে এখন ধেমাজী চাৰ্কিট হাউচত আৰু আনখন লক্ষীমপুৰ চাৰ্কিট হাউচত ৰাখিলে বান নিয়ন্ত্ৰণ কৰা হব। জলসিঞ্চনৰ ক্ষেত্ৰত কি হৈছে কি হোৱা নাই কব নোৱাৰো। ৰাজ্যপালে তেখেতৰ ভাষণত জলসিঞ্চনৰ সুবিধাৰ কাৰণে বা খেতিৰ সুবিধাৰ কাৰণে ৫,০০০ বাহৰ নলী নাদ বহুৱা হৈছে বুলি কৈছে, এইটো ভুল তথ্য যেন লাগে। ক'ত কি নলী নাদ বহুৱালে আজিলৈ আমি দেখা নাই। আনফালে খেতিৰ উৎপাদন বাঢ়িছে ইত্যাদি কথা, কথাৰ ফুলজাৰি যেন লাগিছে। এইবাৰ কিজানি শতকৰা ৬০ ভাগ ধানো উৎপাদন হোৱা নাই। গতিকে এইবাৰ বহাগ মাহৰ পৰা আকাল হব। দুদিন আগতে গুৱালকুছিত ২.৫০ টকা দামত চাউল বিক্ৰী হৈছে। এইটো বৰ দুখৰ কথা।

চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্যপালে এটা কথা কৈছে যে মহামাৰী আৰু কলেৰা নিৰ্মূল কৰিবলৈ অক্টোবৰলৈ ১২ হাজাৰ কলেৰা বেজী দিয়া হৈছে। কিন্তু কলেৰা আৰু মহামাৰীত কিমান মানুহ মৰিছে তাৰ হিচাব চৰকাৰে নিদিলে। এদিন স্বাস্থ্য মন্ত্ৰীয়ে নিজে এই সদনত স্বীকাৰ কৰিছিল যে কলেৰা হওঁতে

মহামাৰীৰ বেজি দিছিল। কিন্তু আজিলৈ এই চিকিৎসা বিভাগৰ কোনো উন্নতি নহ'ল। মহামাৰীত মানুহ মৰা অসম বুৰঞ্জী কিয় ভাৰত বুৰঞ্জীতো কিজানি নোলাব। গতিকে এই ক্ষেত্ৰত বিশেষ দৃষ্টি দিবলৈ স্বাস্থ্য মন্ত্ৰীক মই অনুৰোধ কৰিলো। অসমত মেডিকেল কলেজ হোৱা ২৫ বছৰ হ'ল আৰু এইবাৰ ৰূপালী জয়ন্তীও পাতিব। এখন দুখনকৈ তিনিখন মেডিকেল কলেজ হ'ল কিন্তু আজিলৈকে কোনো উন্নতি পৰিলক্ষিত নহ'ল। আজি ২৫ বছৰে মেডিকেল কলেজত আটাইতকৈ ডাঙৰ দুটা বিভাগ নিওৰো চাৰ্জাৰী আৰু থেৰাপচিচ চাৰ্জাৰী নহ'ল। নিওৰো চাৰ্জাৰীত ব্ৰেইন আৰু হাৰ্ট পৰীক্ষা কৰে। কিন্তু এই চাৰ্জাৰী নোহোৱাৰ ফলত অসমৰ ৰাইজে বহুত জীয়াতু ভুগীবলগীয়া হৈছে। আনকি হাৰ্ট অপাৰেচনৰ কাৰণে মাদ্ৰাজ, বোম্বে, চণ্ডীগড় কলিকতালৈ পঠিয়াব লগীয়া হয়। কিন্তু আজি ২৫ বছৰে চিঞৰ বাখৰ কৰা স্বত্বেও ইয়াৰ কোনো ফল নধৰিল। ফৰেনচিক মেডিচিন যিটো বিভাগ সেই বিভাগটো পুলিচ বিভাগৰ লগত জৰিত বিশেষকৈ ক্ৰিমিনেল কেচ আদি সংক্ৰান্তত। কিন্তু ইয়াৰ এটা স্থায়ী বিভাগ আজিলৈ আমাৰ মেডিকেল কলেজত নহ'ল। এই ক্ষেত্ৰত গুৱাহাটীত চিভিল চাৰ্জনে শিক্ষা দিয়ে, শিলচৰত ডেমোনেষ্ট্ৰেটৰে শিক্ষা দিয়ে। কিন্তু গুৱাহাটীত এজন মেডিকেল কলেজৰ অধ্যাপকক সুবিধা দিব পৰা নাই। ফলত আমাৰ বহুত মানুহ দোষী হৈ গৈছে। সেই কাৰণে এই বিভাগটোৰ উন্নতি কৰিবৰ কাৰণে স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। আনহাতে ইয়াত কুকুৰ আৰু ঘোঁৰাৰ যি স্কট আছে যি ধৰণে উচ্ছেদ আদি হৈছে, হাতী আৰু গড়ৰ স্কট কৰিবলৈ পৰামৰ্শ আগবঢ়ালোঁ তেতিয়া হলে চৰকাৰে দুখীয়া ৰাইজক উচ্ছেদ কৰাত সহায় হব।

(সময়ৰ সংকেট)

আমাৰ উত্তৰ অঞ্চল বিশেষকৈ ভৰলী আৰু হাৱাজানকে আৰম্ভ কৰি যিটো বিজুলী যোগানৰ ডিভিজন অফিচ সেইটো উত্তৰ লক্ষীমপুৰত থকাত ৰাইজৰ যথেষ্ট কষ্ট হৈছে। গতিকে বিশ্বনাথ চাৰিআলিত ইয়াৰ এটা অফিচ পাতিব লাগে। বিশ্বনাথ চাৰিআলিক মহকুমা কৰিব লাগে বুলি বহুতদিনৰ পৰা দাবী কৰি অহা হৈছে। আশাকৰো এই বিষয়ে চৰকাৰে বিশেষ চকু দিব। আনহাতে দৰং জিলাৰ যিজন উপায়ুক্ত তেওঁ ১৮ হাজাৰ টকা ৰেমিচন দিয়া বুলি যি অভিযোগ উঠিছে সেই বিষয়ে মুখ্যমন্ত্ৰীক অনুসন্ধান কৰিবলৈ অনুৰোধ কৰিলো আৰু লগতে আৰক্ষী অধীক্ষক বা এচ, পি হবলৈ হলে এই

লোকজন আই. পি, এছ বা চিলেক্টেড লোক হব লাগে। কিন্তু আমি জনাত এই লোকজন তুয়োটাৰ ভিতৰত এটাও নহয়। তথাপিও লোকজনে ১৯৭১ চনৰ পৰাই এই পদবীটো চলাই আছে। কি কাৰণত মই কব নোৱাৰো। তেজপুৰত পুলিচ বিভাগৰ ক্ষেত্ৰত যিখিনি দুৰ্নীতি সোমাইছে সেইখিনিয়ে সঁচাকৈয়ে চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই বিষয়ে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো।

ইয়াৰ পিছত শিক্ষাৰ শিতানত কেইটামান কথা কবলৈ বিচাৰিছো। শিক্ষাৰ ক্ষেত্ৰত যিটো নতুন পৰিবৰ্ত্তন আনিবলৈ চেষ্টা কৰিছিল তাৰ দ্বাৰা ছাত্ৰ ছাত্ৰী আৰু শিক্ষক সকলৰ মাজত এক চাঞ্চল্যকৰ অৱস্থাৰ সৃষ্টি কৰিছে। অভিভাৱক সকলে ১২ মাহৰ জেগাত ১৫ মাহৰ মাচুল দিব লগা হোৱাৰ কাৰণে মহা চিন্তিত হব লগা হৈছে। ইয়াৰ উপৰিও স্কুলত ছাত্ৰ ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা আশাতীত ভাৱে কমি গৈছে। তিনিমাহ সময় বঢ়াই দিয়া স্বত্বেও পঢ়াশুনা একেবাৰেই হোৱা নাই। এই বিলাক খেলি মেলিৰ কাৰণেই আগৰ নিচিনাকৈয়ে ১২ মহীয়া শিক্ষা পদ্ধতি ৰাখি মাৰ্চ এপ্ৰিল মাহত পৰীক্ষা পতাৰ পৰিবৰ্ত্তে আগৰ সময়তে পতাৰ ব্যৱস্থা কৰিবলৈ মই আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

*শ্ৰীবীৰেণৰাম ফুকন: মাননীয় অধ্যক্ষ মহোদয়, আজি জয়জয়তে মই আমাৰ ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি কেইআষাৰমান কথা কবলৈ আগবাঢ়িছো। ৰাজ্যপালৰ ভাষণত আমাৰ দেশৰ বৰ্ত্তমান চলিত অৱস্থাৰ বিষয়ে আৰু যি অৱস্থা ইতিমধ্যেই হৈ গৈছে তাৰ এটা আভাষ দিছে। ৰাজ্যপালৰ ভাষণত প্ৰথমতেই ৰাজধানী স্থানান্তৰিত কৰা কথাটো উল্লেখ কৰিছে। মইও সেই সুৰতে সুৰ মিলাই কবলৈ গৈছো যে, ৰাজধানীখন ইমান সোনকালে ইয়ালৈ অনাৰ কাৰণে মই আমাৰ চৰকাৰক ধন্যবাদ দিছো। আমি যেতিয়া শ্বিলঙত আছিলো তেতিয়া সেই শ্বিলঙৰ সদনত মই কোৱা মনত আছে, যে এখন বাহঁৰ চালি কৰি হ'লেও ৰাজধানী আমি গুৱাহাটীত পাতিব লাগিব আৰু সেই মতেই আজি যোৱা ২৬ জানুৱাৰী তাৰিখে অসমৰ অস্থায়ী ৰাজধানী হিচাবে ইয়াত ঘোষণা কৰিছে। তাৰোপৰি ইয়াত যি অসম সচিবালয় পতা হৈছে সেইটোও অতি বিতোপন হৈছে। ইয়াৰোপৰি আমাৰ দুখীয়া ৰাইজ সকল শ্বিলঙলৈ যোৱাটো বৰ কষ্টকৰ আছিল। কিন্তু এতিয়া ৰাজধানীখন ইয়াতে হোৱাৰ কাৰণে অতি কম আয়াসৰ ভিতৰতে তেওঁলোকে কাম কৰিব পাৰিব। কিন্তু আমাৰ যি বিলাক সঞ্চালকৰ অফিচ

*Speech not corrected

আছে সেইবিলাক অফিচ গুৱাহাটীৰ বিভিন্ন জেগাত সিচৰিত হৈ থকাৰ কাৰণে ভীষণ অসুবিধা হৈছে। সেইবিলাক অফিছো যদি একে জেগাতে হোৱাৰ ব্যৱস্থা কৰিব পাৰিলোহেঁতেন তেতিয়াহলে বহুতো সুবিধা হ'লহেঁতেন।

তাৰ পিছত আমাৰ যিটো কো-অপাৰেটিভ ফাৰ্মৰ কথা কৈছে সেইটো বোধহয় আমাৰ ৰাজ্যপালৰ ভাষণৰ পৰা বাদ পৰি গ'ল। কৃষিপাম নিগমৰ মাজেদি আমাৰ চৰকাৰে কৈছিল যে, যি সকল কৃষকে এই কৃষিপাম নিগমত যোগদান কৰিব তেওঁলোকে তাৰ যোগেদি জীৱন নিৰ্বাহ কৰিব পাৰিব, নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিব পাৰিব আৰু তাৰ দ্বাৰা নিবনুৱা সমস্যাও সমাধান কৰিব পৰা যাব। সিদিনা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে, কৃষিপাম নিগম আৰম্ভ কৰা হৈছে আৰু ইয়াৰ যোগেদি মাটিও বিতৰণ কৰা হৈছে। এইটো শুনি সঁচাকৈয়ে সুখ পাইছো আৰু আশা কৰিছো যিটো উদ্দেশ্যৰে এই কৃষিপাম নিগম গঠন কৰা হৈছে সেই উদ্দেশ্যটো যাতে সফলকাম হয়।

আমাৰ চৰকাৰে কো-অপাৰেটিভ চছাইটি বিলাক সংগঠন কৰিবলৈ ওলাইছে। আমাৰ ইয়াৰ আগতেও এনেকুৱা কিছুমান কো-অপাৰেটিভ চছাইটি আছিল। কিন্তু সেই কো-অপাৰেটিভ চছাইটি বিলাকৰ প্ৰতি ৰাইজৰ মাজত এটা বিৰূপ ধাৰণা আছিল। আমাৰ চৰকাৰে সেইটো চিন্তা কৰি এই কো-অপাৰেটিভ চোছাইটি বিলাক ব্যক্তিগত লোকৰ হাতৰ পৰা আনি সমাজৰ মাজলৈ ঠেলি দিছে। এই আদৰ্শৰ অনুকৰণতে ৬৬০ খন সমবায় গঠন কৰা হব। এই ক্ষেত্ৰত এটা কথা আছে যে, যদিও এই কো-অপাৰেটিভ বিলাকৰ অংশ বিক্ৰী কৰা হৈছে তথাপিও চৰকাৰৰ ফালৰ পৰা ১০ হাজাৰ টকা দিবলগীয়া এটা কথা আছিল। পাব লগা এই ১০ হাজাৰ টকা আমাৰ বহুতো কো-অপাৰেটিভ চছাইটিয়ে এতিয়াও নোপোৱাৰ কাৰণে প্ৰয়োজনীয় কাম এই চছাইটি বিলাকে এতিয়াও কাম কৰিব পৰা নাই। আশা কৰিছোঁ, চৰকাৰে যেন এই কামটো অতি সোনকালে কৰে। তাৰ পিছত দুখীয়া খেতিয়কৰ কাৰণে আৱশ্যকীয় জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ চৰকাৰে লাখ লাখ টকা খৰছ কৰি নানা আঁচনি আদি কৰিছে যদিও তাত হলে কোনো কাৰ্যাকৰী হোৱা নাই। মোৰ সমষ্টিতে কপিলি প্ৰজেক্ট বুলি এটা জলসিঞ্চনৰ আঁচনি কৰিছে যদিও তাৰ ডোং বিলাকেদি এতিয়াও পানী যোৱা নাই। অলপতে তাত হোৱা ৰাজহুৱা সভাত আমাৰ শিক্ষামন্ত্ৰী

মহোদয়ও উপস্থিত আছিল। তাত তাৰ বাইজে এই বুলি আপত্তি আদি তুলিছিল যে, আগতে সেই বিলাক অঞ্চলত নানান ধৰণৰ খেতি বাতি হৈছিল। কিন্তু আজি কালি তাত একেবাৰেই খেতিবাতি নোহোৱা হৈ পৰিছে। তাত থকা সংশ্লিষ্ট কৰ্মচাৰী সকলেও কলে যে, তাত পানী নেথাকে গতিকে তাত বিজাৰ্ভাৰ কৰিহে পানী ৰাখিব লাগিব আৰু সেই বিজাৰ্ভাৰৰ পৰা পানী বোৱাই নি খেতি পথাৰত দিব লাগিব। এইদৰে পানী যোগানৰ ক্ষেত্ৰত যিবিলাক অসুবিধাই দেখা দিছে সেই অসুবিধা বিলাক সম্পৰ্কে বিভাগীয় মন্ত্ৰী গৰাকীয়ে যথোপযুক্ত ব্যৱস্থা কৰিব বুলি মই আশা কৰিছো। ৰাজ্যপালৰ ভাষণত ইয়াৰ বাহিৰেও আৰু বহুতো কথাই কৈছে। কিন্তু এটা কথা আজি আমি দেখিবলৈ পাইছো যে, আমাৰ যি বিলাক পিছপৰা গাঁৱলীয়া অঞ্চল আছে সেইবিলাক অঞ্চলত বিশেষকৈ জনজাতীয় এলেকা বিলাকত টি, বি ৰোগে ব্যাপক আকাৰ ধাৰণ কৰিছে। এই পৰিপ্ৰেক্ষিততে মই আমাৰ স্বাস্থ্যবিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক টানি অনুৰোধ কৰিব খুজিছো যে আমাৰ এই ৰোগৰ হস্পিতাল বিলাকত ৰোগীৰ কাৰণে চিটৰ সংখ্যা বৃদ্ধি কৰি দিব লাগে আৰু দৰ্কাৰ হলে ইয়াৰ কাৰণে ৰোগী বিলাকক আৰু হস্পিতাল বিলাকত আৰ্থিক সাহাৰ্য্যৰো ব্যৱস্থা কৰিব লাগে।

ইয়াৰ পিছত আমাৰ বন বিভাগৰ কথাও কোৱা হৈছে। এই ক্ষেত্ৰত ৰাজ্যৰ বিভিন্ন স্থানত প্লেণ্টেশ্বনৰ কাম যথেষ্ট হিচাবে কৰিছে যদিও যিমানখিনি কৰিব লাগিছিল সিমানখিনি টকাৰ অভাৱত এতিয়াও কৰিব পৰা নাই। তাৰোপৰি 'ওৱেদিঙৰ' ব্যৱস্থা ঠিক কৰিব নোৱাৰিলে আমাৰ প্লেণ্টেশ্বন কেতিয়াও হব নোৱাৰে। সেই কাৰণেই ইয়াৰ কাৰণে যিমানখিনি টকাৰ আৱশ্যক হয় সেই টকা খিনি দিব লাগে।

বন্যপ্ৰাণীৰ ক্ষেত্ৰত মই কওঁ যে, গড় আমাৰ অসমৰ এটা অতি আপুৰুগীয়া অমূল্য সম্পদ। কিন্তু এনে এটা সম্পদ আজি ঠিক সংৰক্ষণৰ অভাৱৰ কাৰণে সদায় চোৰাং চিকাৰীৰ দ্বাৰা নিধন হব লাগিছে। ঠিকমতে তাৰ ৰক্ষণাবেক্ষণ চৰকাৰে দিব পৰা নাই। অলপতে মই দৰঙলৈ গৈছিলো। তাত গৈ দেখিলো যে, মই যোৱাৰ প্ৰায় ১০ দিনমানৰ আগতে এটা গড় মাৰিলে। এই খবৰটো বাইজে ছয় সাত মাহৰ আগতেই সংশ্লিষ্ট কৰ্তৃপক্ষক জনাইছিল। কিন্তু তাৰ কোনো ৰক্ষণাবেক্ষণৰ ভাল ব্যৱস্থা নোলোৱাৰ কাৰণে শেষত এই গড়টো মৰা পৰিল। সেই কাৰণেই মই আমাৰ মাননীয়

বন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যেন এই বিলাক কথাত দৃষ্টিপাত কৰে। সোণাৰুপাই পেইম চেংচুৱেৰি চালে দেখিব তাত হেজাৰ হেজাৰ মহ আদি চৰিছিল। কিন্তু অলপতে মই তালৈ যাওঁতে তাত শিয়াল এটাও যেন নাইকীয়া এনে অৱস্থাৰ সৃষ্টি হৈছে। এই অভয়া-ৰণ্যৰ ভাল ৰক্ষনাবেক্ষণৰ অভাৱত এইটো হৈছে। এই বিষয়ে ব্যৱস্থা লবলৈ চৰকাৰক অনুৰোধ কৰিছো।

মই স্বাস্থ্য কেন্দ্ৰৰ সম্পৰ্কে এটা কথা কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিম। আমাৰ ৰাণী অঞ্চলটো অতি পিচ পৰা অঞ্চল। তাত এখন ৰুৰেল হস্পিতাল দিয়া হৈছে যদিও বেড নাই। তাৰোপৰি তাত এটা হেল্‌ঠ চেণ্টাৰৰ কাৰণেই দাবী কৰি অহা হৈছে। কিন্তু সেই ঠাই পৰিদৰ্শ-নৰ কাৰণে যিটো দল গৈছিল সেই দলত চেয়াৰমেন আৰু প্ৰিনচিপালো গৈছিল। আৰু তেখেত সকলে এই হেল্‌ঠ চেণ্টাৰটো তাতেই হব বুলি কৈছিল, কিন্তু এতিয়া শুনিবলৈ পাইছো যে সেই চেণ্টাৰটো বকোলৈ উঠাই অনাৰ যোজা চলিছে। মই চৰকাৰক অনুৰোধ কৰিছো সেইটো যাতে কোনো ৰকমেই তাৰ পৰা উঠাই লৈ অহা নহয়। এই সম্পৰ্কত মই মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীক অনুৰোধ কৰিছো যাতে যতে আছে তাতে ৰখাৰ ব্যৱস্থা কৰে। কাৰণ এই ঠাইখন এখন এনেকুৱা ঠাই য'ত এখন হস্পিতাল নাই। যদি এই চেণ্টাৰটো তাৰ পৰা উঠাই অনাৰ ব্যৱস্থা কৰে তেনেহলে তাৰ ৰাইজে আন্দোলন কৰিব আৰু ময়ো ৰাইজৰ লগতে সেই আন্দোলনত যোগ দিম। যদি চেণ্টাৰটো তাতে চৰকাৰে ৰাখে তেনেহলে মই চৰকাৰক ধন্যবাদ দিম। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী প্ৰনীতা তালুকদাৰ : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীপণ্ডিত ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেইটো সমৰ্থন কৰি মই দুআষাৰ মান কব বিচাৰিছো। এই ৰাজ্য-পালৰ ভাষণখন অৰ্থহীন, গতানুগতিক বুলি আমাৰ কোনো কোনো সদস্যই অভিহিত কৰিছে। মোৰ বোধৰে এই ৰাজ্যপালৰ ভাষণখন গতানুগতিক নহয়। আমি প্ৰথম অৱস্থাৰ পৰা শেষলৈকে যদি ভাল দৰে পৰ্য্যবেক্ষন কৰি চাও তেনেহলে দেখিবলৈ পাম যে ৰাজ্যপালৰ ভাষণ-খন অৰ্থপূৰ্ণ আৰু আমাৰ যি বিলাক চৰকাৰৰ নীতি, আমাৰ ৰাজ্যৰ [illegible] অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন আদিৰ বাবে

যি বিলাক ব্যৱস্থা গ্ৰহণ কৰিছে সেই বিলাক আমি সম্যক ভাবে জানিবলৈ পাও। গতিকে মোৰ বোধেৰে এই ভাষণ খন গতানুগতিক কেতিয়াও হব নোৱাৰে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পোন প্ৰথমে আমাৰ ৰাজধানী চিলঙৰ পৰা দিচপুৰলৈ লৈ অহাৰ কথা উল্লেখ কৰিছে। আমাৰ চৰকাৰে যোৱা ২৬ জানুৱাৰী তাৰিখে গণৰাজ্য দিবস উৎযাপনৰ দিনা দিচপুৰক অস্থায়ী ৰাজধানী হিচাবে ঘোষণা কৰিছে। আমাৰ মুখ্যমন্ত্ৰীয়ে যি খৰটকীয়া নীতি গ্ৰহণ কৰি ৰাজধানী ১ বছৰৰ ভিতৰতে কৰিম বুলি কৰি দিলে সঁচাকৈ এই কথা ভাৰতৰ ইতিহাসত উল্লেখ যোগ্য হৈ থাকিব। গতিকে মই মুখ্য-মন্ত্ৰীক শলাগ জনাইছো। মই ভাবো এনে খৰটকীয়া নীতি আমাৰ ৰাজ্য খনৰ প্ৰশাসনিক ব্যৱস্থাত যদি গ্ৰহণ কৰা যায় তেনেহলে জনসাধাৰণৰ সকলো কাম কাজ ভালদৰে চলিব আৰু জনসাধাৰণৰ যি খিনি সামাজিক নিৰাপত্তা সেই সকলো বিলাক বিষয়তে ভাল হব।

আমি জানো যে জনগণক কেন্দ্ৰ কৰিহে গণতন্ত্ৰ। এই গণতন্ত্ৰ জীয়াই ৰাখিবলৈ হলে আমি আমাৰ জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰি অৰ্থ-নৈতিক আৰু সামাজিক বিকাশ সাধন কৰিবলৈ প্ৰচেষ্টা কৰিব লাগিব।

এই ক্ষেত্ৰত খাদ্য সংকট দূৰীকৰণ, আৰু মূল্য বৃদ্ধি হ্ৰাস প্ৰথম পদক্ষেপ। আজি আমাৰ ৰাজ্যখনৰ মূল্য বৃদ্ধি যি উৰ্ধতম সীমা পাইছেগৈ, এই পৰিস্থিতিত আমাৰ সাধাৰণ ৰাইজ জীয়াই থকাটো দুৰ্বহ হৈ পৰিছে। গতিকে আমাৰ চৰকাৰে সুস্থিৰ খাদ্য নীতি গ্ৰহণ কৰি ৰাজ্যৰ খাদ্য সংকট আৰু মূল্য বৃদ্ধি ৰোধ কৰিবলৈ বিশেষ ভাবে নজৰ দিব লাগে। তাৰ কাৰণে পোন প্ৰথমতে আমাৰ ৰাজ্যত খাদ্য উৎপাদন বৃদ্ধি আৰু স্থানীয় ভাবে যি বিলাক খাদ্য বস্তু উৎপাদন হয় সেই বিলাকৰ ৰপ্তানী বন্ধ কৰিব লাগিব। আৰু তাৰ লগতে আমাৰ ৰাজ্যত যি বিলাক বস্তু উৎপাদন নহয় তাৰ আমদানী কৰি নিয়ন্ত্ৰণ কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে বিশেষ ভাবে মনোযোগ দিব লাগিব। এই ক্ষেত্ৰত এইটো পৰিলক্ষিত হৈছে যে জনসাধাৰণৰ মাজত খাদ্য বস্তুৰ বিতৰণ ব্যৱস্থাৰ ওপৰত দুৰ্নীতিৰ প্ৰভাৱ পৰিছে। গতিকে এই ব্যৱস্থালৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি এই ব্যৱস্থা ভাল কৰিবলৈ অনুৰোধ কৰো। তাৰ পিচত আমাৰ ৰাজ্যত দুখীয়া খেতিয়ক সকলে শস্য উৎপাদন কৰে। এই খেতিয়ক সকলৰ আৰ্থিক অৱস্থা অতিকৈ শোচনীয়। গতিকে তেওঁলোকে

যি শস্য উৎপাদন কৰে সেই শস্যৰ উচিত মজুৰি যাতে পায় আৰু তাৰবাবে ব্যৱস্থা কৰা চৰকাৰৰ কৰ্ত্তব্য।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে খাদ্য বস্তু ভাল দৰে সুলভ মূল্যত পাবৰ কাৰণে যি ব্যৱস্থা অৱলম্বন কৰিছে সেইটো হৈছে পাইকাৰী সমবায় সমিতি। এই পাইকাৰী সমবায় সমিতিলৈ এটা নিৰ্দেশ দিলে যে, ১০ হাজাৰ টকাৰ মুলধন হলেই সমবায় সমিতি সমূহে চৰকাৰী সাহায্য লাভ কৰিব। কিন্তু আজি দেখা গৈছে যে যদিও সমবায় সমিতি বিলাকত ৰাইজৰ আস্থা আছে তথাপি অতীতৰ কাৰ্য্যকলাপৰ কাৰণে এই সমবায় সমিতি বিলাকৰ ওপৰত ৰাইজে আস্থা হেৰুৱাইছে। আৰু তাৰ চলিত দুৰ্নীতি বিলা-কৰ কথা আমাক ৰাইজে কয়। এই পাইকাৰী সমবায় সমিতি বিলাকৰ অংশত মূলধন ১০ হাজাৰৰ পৰা ৫ হাজাৰ হলেই চৰকাৰী সাহায্য যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰোপৰি মহকুমা বিলাকত যি বিলাক সুলভ মূল্যৰ দোকান আছে সেই বিলাকৰ কোনো কোনো দোকান ভাল হৈছে আৰু কোনো কোনো দোকানৰ ক্ষেত্ৰত ৰাইজৰ অশান্তি হৈছে। গতিকে মই চৰকাৰক এই ফেয়াৰ প্ৰাইচ দোকান বিলাক ব্যক্তিগত ভাবে নিদি সমবায় হিচাবে দিবলৈ অনু-ৰোধ কৰিলো। তেতিয়াহলে ৰাইজৰ উপকাৰ হব।

অধ্যক্ষ মহোদয়, প্ৰশাসনীয় ব্যৱস্থা ভাল কৰাৰ লগতে মই দুৰ্নীতিৰ বিষয়ে দুটামান কথা কব খুজিছো। আমি আকাশে বতাহে শুনিবলৈ পাইছো দুৰ্নীতি আৰু দুৰ্নীতি। এই দুৰ্নীতিত সৰ্বসাধাৰণ ৰাইজ একেবাৰে জুৰুলা হৈ পৰিছে। আজি ৰাইজৰ মুখত মাত্ৰ এটা কথাকে শুনিবলৈ পাও যে পইচা নিদিলে কোনো কাম নহয়। গতিকে এই বিষয়ে এটা ভাল নীতি গ্ৰহণ কৰি আমাৰ চৰকাৰে ৰাইজক দুৰ্নীতিৰ পৰা ৰক্ষা কৰিব লাগে। আমি সুখী হৈছো যে, দুৰ্নীতি নিবাৰণৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা স্পেচিয়েল ভিজিলেন্স চেল গঠন কৰিছে। আৰু এই চেলটোৰ দ্বাৰাই কিছুমান মানুহক দোষী সাব্যস্ত কৰা প্ৰমাণো পাইছো। আমি এইটো আমাৰ ৰাজ্যিক পৰ্য্যায়ত কৰাত আমি ভাল পাইছো। এনেধৰণেই যদি আমাৰ প্ৰত্যেক মহকুমাতে ইয়াৰে এটা শাখা কৰি উপযুক্ত বিষয়া দি চোকা দৃষ্টি ৰাখে নিশ্চয় মহকুমা পৰ্য্যায়ত দুৰ্নীতি কম হব।

অধ্যক্ষ মহোদয়, আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত বহু উন্নত

ব্যৱস্থা হোৱা বুলি কৈছে। কিছুমান সময়ত অনুমান হয়, যে আমাৰ ৰাজ্যখনত আইন আৰু শৃংখলা আছে কিন্তু কিছুমান সময়ত অনুমান হয়, আমাৰ ৰাজ্যত আইন শৃংখলা নাইকীয়া হৈ পৰিছে। উদাহৰণ স্বৰূপে মই এটা ঘটনাৰ কথা কব খুজিছো। মোৰ সমষ্টিৰ বৰনগৰ কলেজৰ পি, ইউ টেষ্ট যোৱা ২১ জানুৱাৰীত আছিল। ১৮ তাৰিখৰ পৰা তাত কিছুমান ছাত্ৰই ইউনিয়ন চেক্রেইটৰিৰ নেতৃত্বত পৰীক্ষা নিদিবলৈ ছাত্ৰ সকলক এটা প্ৰচাৰ চলালে। গন্দগোলৰ আশংকা আছিল কাৰণেই বৰ নগৰ কলেজৰ অধ্যক্ষই যাতে পৰীক্ষাতো শান্তিপূৰ্ণ ভাবে হয় তাৰ কাৰণে সভাপতিক কোৱাত সভাপতিয়ে পুলিচৰ ব্যৱস্থা কৰিলে। ২১ তাৰিখে ৰাতিপুৱা ৭ বজাত বৰপেটাৰ পৰা এচ, দি, পি, অ আৰু চিনিয়ৰ মেজিষ্টেত আহিল। কলেজলৈ অহা ৰাষ্টা দুটাত বেঞ্চ, চকি, টেবুল আদি দি কিছুমান ল'ৰাই পৰীক্ষা দিবলৈ অহা ল'ৰা বিল্লাকক বাধা দিলে। বহু ছাত্ৰ আৰু ৰাইজ তাত উপস্থিত আছিল। প্ৰায় ২ ঘণ্টা জুৰি যেতিয়া এই পৰীক্ষাৰ্থী সকলক বাধা দিয়া হ'ল তেতিয়া তেওঁলোক বৰ অতিষ্ঠ হৈ পৰিল আৰু ২ ঘণ্টাৰ পিছত তেওঁলোকে সেই বেৰেক ভাঙি উত্ৰাৱল হৈ দলঙৰ তলেদি দৌৰিগৈ পৰীক্ষা হললৈ যায়। তেতিয়া প্ৰায় এশ ডেৰ শ ল'ৰা পৰীক্ষা হলত সোমায়। ইতিমধ্যে পৰীক্ষা হলৰ ওৱাৰ্নিং বেল পৰে আৰু প্ৰশ্নোত্তৰ কাকত দিয়া হয়। তেনে সময়তে আৰু কিছুমান ল'ৰা তাত সোমাই এনে গণ্ডগোলৰ সৃষ্টি কৰে যিটো নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিব পৰা নাযায়। ছোৱালীৰ হাতত ধৰি উলিয়াই আনিছে আৰু বহুতৰ ব্লাউজৰ হাত ফালিছে। দুই এখন প্ৰশ্নোত্তৰ কাকত জুইশলাই মাৰি জ্বলাই দিয়াইছে। সাধাৰণ সম্পাদকৰ নেতৃত্বত ছাত্ৰ বিলাকে যি গণ্ডগোলৰ সৃষ্টি কৰিলে সেই পৰিস্থিতি শান্ত কৰিবৰ কাৰণে এচ, ডি, পি, অক আৰু চিনিয়ৰ মেজিষ্টেটক অনুৰোধ কৰা হ'ল। কিন্তু তেওঁলোক দৰ্শক হৈয়েই থাকিল। মই কোৱাত তেখেত সকলে মোক সুধিছিল ফায়াৰিং আৰু লাঠি চাৰ্জ কৰিব লাগে নেকি?

মই কলো যে ফায়াৰিং আৰু লাঠি চাৰ্জ আমি কেতিয়াও নিবিচাৰো। এনেকুৱা এটা পৰিবেশ বিচাৰো যি পৰিবেশত ল'ৰা ছোৱালী বিলাকে শান্তিৰে পৰীক্ষা দিব পাৰে। কিন্তু তেখেত সকলে একো ব্যৱস্থা নকৰিলে। বৰং অধ্যক্ষ মহোদয়ক নোসোধাকৈ চিনিয়ৰ মেজিষ্ট্ৰেটে পৰীক্ষা বন্ধ কৰি দিলে। আজি পৰিস্থিত ইয়াৰ নিৰ্চিনাকৈ অধ্যক্ষৰ বিনা অনুমতিত পৰীক্ষা বন্ধ কৰা

মই দেখা নাই। মই আশা কৰো শিক্ষামন্ত্ৰী মহোদয়, আৰু গৃহমন্ত্ৰী মহোদয়ে ইয়াৰ এটা তদন্ত কৰিব। যি সকল লোক এই গণ্ডগোলত লিপ্ত আছে তেওঁলোকক উচিত শাস্তি দিব লাগে। নহলে ই এটা শিক্ষানুষ্ঠানৰ বেয়া প্ৰেচিডেন্স হৈ থাকিব। ভাৰপিছতো ছাত্ৰ সকলৰ মাজত আকৌ মাৰপিত হ'ল কিন্তু এই অফিচাৰ ডুজনে চাইয়েই থাকিল কোনো ব্যৱস্থা নললে। শান্তিৰ কাৰণে পঠোৱা এই বিষয়াই যি নিষ্ক্ৰীয়তাৰ পৰিচয় দিলে তাৰ তদন্ত হব লাগে আৰু বিচাৰ হব লাগে। শেষত মই এটা কথা কওঁ যে আমাৰ কেইবা গৰাকী সদস্যই কৈছে আমাৰ চৰকাৰৰ মূল লক্ষ্য হ'ল আঞ্চলিক বৈষম্যতা দূৰীকৰণ আৰু দৰিদ্ৰতা দূৰীকৰণ। এই নীতি কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি, সামাজিক শিক্ষা ব্যৱস্থা, জলসিঞ্চন ব্যৱস্থা, উৎপাদন বৃদ্ধি ব্যৱস্থা আদি চৰকাৰে হাতত লৈছে। যদি আমি আমাৰ সমাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণ কৰিব পাৰো দৰিদ্ৰতা উন্মোচন কৰিব পাৰো তেতিয়া হলে আমি আগবাঢ়ি যাব পাৰিম। শিক্ষা নীতিৰ ক্ষেত্ৰত মই মাত্ৰ এটা কথাকে কব বিচাৰিছো যে শিক্ষা নীতি যি পৰিবৰ্তিত নীতি সেইটো মই বেয়া হৈছে বুলি নকও। আৰু এই নীতিয়ে ৰাজ্যখনত কোনো হুল স্থূলৰ সৃষ্টি কৰা নাই। আমি ভাবো এই নতুন নীতি গ্ৰহণ কৰিবলৈ ছাত্ৰ সকল আগবাঢ়ি আহিছে কিন্তু এই নতুন পদ্ধতিত শিক্ষা দিয়াৰ আগতে যি বিলাক সা-সুবিধাৰ প্ৰয়োজন সেই বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে নতুন আঁচনি কৰিলে তাৰ যি প্ৰয়োজনীয় সা-সুবিধা তাক দিব লাগে। এই খিনিকে কৈ মই ৰাজ্যপাল মহোদয়ৰ ভাষণতো সমৰ্থন কৰিছো।

Shri Sarat Chandra Sinha (Chief Minister)—Mr. Speaker, Sir, I am grateful to the hon'ble members for their participation in the debate on Governor's address. I am also thankful to the members for highlighting both achievements and shortcoming of the Government. These deliberations will surely help us to take corrective measures.

